সুৱদি সুৰীয়া মোৰ ভাষা বিনন্দীয়া

প্ৰণামো মাতৃভাষা



"সমাজৰ শিক্ষিতচামে ভাবে যে সামাজিক জীৱনত উন্নতি সাধনৰ বাবে ইংৰাজী ভাষাৰ ওপৰত দক্ষতা অতিশয় প্ৰয়োজনীয়। এই ধাৰণাটিৰ বাবে অপ্ৰতিৰোধ্যভাৱে বেচৰকাৰী উদ্যোগত ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানসমূহ গঢ়ি উঠিছে। এই শিক্ষানুষ্ঠানবোৰত ইংৰাজী এটা বিষয় হিচাপে শিকোৱাৰ উপৰি আন বিষয়বোৰৰ শিক্ষাদানৰ মাধ্যমৰূপে প্ৰথম শ্ৰেণীৰ পৰাই ইংৰাজী ভাষা ব্যৱহাৰ কৰা হয়। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া কোমল বয়সৰ শিশুবোৰে বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ বিষয়বোৰ একো নুবুজাকৈয়ে মুখস্থ কৰি থয় বুলি সৰ্বজনবিদিত। শিক্ষা-বিজ্ঞানৰ ই এটা গ্ৰহণযোগ্য মত যে মুখস্থ কৰি মনত ৰখা কথাবোৰ শিশুৰ বাবে বোজাস্বৰূপ হৈ পৰে। মাতৃভাষাৰ বাহিৰে আন ভাষাক শিক্ষাৰ মাধ্যমৰূপে ব্যৱহাৰ কৰিলে ই শিশুৰ শৈক্ষিক বোজাৰ এটি বৃহৎ উৎস হৈ পৰে।"

পদ্মবিভূষণ অধ্যাপক যশ পাল ;
প্ৰখ্যাত পদাৰ্থ বিজ্ঞানী,
প্ৰাক্তন অধ্যক্ষ, বিশ্ববিদ্যালয় অনুদান আয়োগ।

প্ৰণামো মাতৃভাষা

মাতৃভাষাৰ হকে এক নতুন প্ৰয়াস

এটা ভাষা একোটা জাতিৰ পৰিচয় আৰু স্বাভিমানৰ মূল প্ৰতীক। ভাষাৰ অৱনতি বা মৃত্যু মানে জাতি এটাৰ মৃত্যু। এক পৰিসংখ্যা অনুসৰি পৃথিৱীৰ প্ৰায় সাত হেজাৰ ভাষাৰ মাজৰ পৰা চাৰে-তিনি হাজাৰ ভাষা এই শতিকাৰ শেষলৈ বিলুপ্ত হ'ব। ইউনেস্ক'ৰ সমীক্ষা মতে ১৯৫০ চনৰ পৰা ২০১০ চনলৈ ভাৰতৰ ২৩০ টা ভাষা বিলুপ্ত হৈছে। UNESCO Atlas of the World's Languages in Danger 2009 অনুসৰি ভাৰতৰ প্ৰায় ১৯৭ টা ভাষা সম্প্ৰতি বিপদাপন্ন (endangered) ভাষা হিচাপে চিহ্নিত হৈছে।

ভাৰতৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত ২২টা ভাষাৰ ভিতৰৰ অসমীয়া বা বড়ো ভাষা এতিয়াও বিপদাপন্নৰ তালিকাত সোমোৱা নাই যদিও ক্ৰমান্বয়ে অসমীয়া ভাষাৰ লগতে আন কিছু জনজাতীয় ভাষাৰ অস্তিত্বৰ ক্ষেত্ৰত সংকট আৰু শংকা যে বাঢ়ি আহিছে সেয়া সঁচা। এনে প্ৰেক্ষাপটত মাতৃভাষাৰ চৰ্চা, উত্তৰণ আৰু ঐতিহ্য ৰক্ষাৰ উদ্দেশ্য আৰু সংকল্পৰে আমি এক বহুমুখী প্ৰচেষ্টা ল'বলৈ বিচাৰিছোঁ।

১৯৯১ চনৰ লোকপিয়ল অনুসৰি অসমত অসমীয়া ভাষী লোকৰ সংখ্যা আছিল মুঠ জনসংখ্যাৰ ৫৭.৮১%, ২০০১ চনত সেয়া হয়গৈ ৪৮.৮০%, ২০১১চনত ৪৮.৩৮%। পৰৱৰ্তী লোকপিয়লত এই পৰিসংখ্যা যে আৰু অৱনমিত হ'ব তাৰ পূৰ্বাভাষ ইতিমধ্যে প্ৰকট হৈ উঠিছে। ২০২৪ চনৰ ৪ অক্টোবৰ তাৰিখে ভাৰত চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰদান কৰিলে। এই স্বীকৃতিয়ে অসমীয়া ভাষাৰ স্বকীয় পৰিচয়, ঐতিহ্য আৰু প্ৰাচীনতাক বিশ্ব দৰবাৰত সবলভাৱে প্ৰতিষ্ঠা কৰিলে। এয়া প্ৰতিজন অসমীয়া মানুহৰ বাবে গৌৰৱ আৰু স্বাভিমানৰ প্ৰতীক। কিন্তু একমাত্ৰ ধ্ৰুপদী ভাষাৰ মৰ্য্যাদাই ভাষা এটাক জীয়াই নাৰাখে। ভাষাটোৰ চৰ্চা নাথাকিলে এনে স্বীকৃতি এসময়ত অসাৰ প্ৰতিপন্ন হ'ব। নিজৰ ভাষাটো পঢ়া, লিখা, কোৱাৰ লগতে সকলোৰে মাতৃভাষাটোৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰিলে; ভাষাটোক লৈ গৌৰৱবোধ কৰিবলৈ নিশিকিলে; সাহিত্য সৃষ্টি আৰু অধ্যয়নৰ নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া চলাই নাৰাখিলে ধ্ৰুপদী ভাষাৰ প্ৰমাণ পত্ৰখনে অসমীয়া ভাষাকো জীয়াই নাৰাখিব। শিক্ষা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ব্যৱসায়-বাণিজ্য, চৰকাৰী কাম-কাজ সকলোতে ভাষাটোৰ চৰ্চা আৰু উত্তৰণৰ বাবে সকলোৰে অক্লান্ত প্ৰচেষ্টা চলাই যাব লাগিব।

কিন্তু সম্প্ৰতি অসমীয়া ভাষাটোৰ প্ৰতি আহি পৰা প্ৰত্যাহ্বানসমূহ পৰ্য্যালোচনা কৰিলে দেখা যায়, আমাৰ ভাষাটোৰ প্ৰতি মূল প্ৰত্যাহ্বান আহি পৰিছে মূলতঃ অসমীয়া ভাষী মানুহখিনিৰ পৰাই।

লোকপিয়লৰ তথ্য অনুসৰি অসমীয়া ভাষীৰ যি পৰিসংখ্যা দেখুওৱা হৈছে, সেই পৰিসংখ্যাৰ শতাংশ হাৰতকৈও অধিক উদ্বেগজনক কথাটো হৈছে এই ৪৮.৩৮% শতাংশ অসমীয়া ভাষী মানুহৰ কিমান শতাংশই নিজৰ ভাষাটোৰ সন্মান সহকাৰে চৰ্চা কৰে, মাতৃভাষা মাধ্যমত সতি-সন্ততি/ নাতি-নাতিনীক শিক্ষাগ্ৰহণ কৰোৱাৰ বাবে ব্যৱস্থা লয়, ভাষা-সাহিত্যৰ চৰ্চা তথা অধ্যয়ন কৰে ইত্যাদি। বিগত সময়ছোৱাত চৰকাৰী অসমীয়া মাধ্যমৰ প্ৰায় আঠ হেজাৰ বিদ্যালয় শিক্ষাৰ্থীৰ অভাৱত বন্ধ হৈ গৈছে বা আন বিদ্যালয়ৰ লগত চামিল কৰি দিয়া হৈছে। ইয়াৰ দ্বাৰা মুকলি হোৱা ক্ষেত্ৰখনত ইংৰাজী মাধ্যমৰ বিদ্যালয় তীব্ৰগতিত বৃদ্ধি পাইছে। বহুতো শিক্ষাৰ্থী এনে ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ ঢাপলি মেলিছে। একাংশ শিক্ষাৰ্থীয়ে জাতীয় বিদ্যালয় বা শংকৰদেৱ শিশু নিকেতনৰ দৰে মাতৃভাষা মাধ্যমৰ বেচৰকাৰী বিদ্যালয়সমূহত নামভৰ্তি কৰি শিক্ষাগ্ৰহণ কৰি আছে। এইদৰে বছৰে বছৰে অসমীয়া ভাষাত শিক্ষাগ্ৰহণ কৰা, ভাষাটোৰ চৰ্চা কৰা শিক্ষাৰ্থীৰ সংখ্যা কমি আহিছে। ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰতো অসমীয়া বা আন মাতৃভাষা যথাযথ গুৰুত্ব সহকাৰে শিকোৱা হোৱা নাই, ভাষাটোক সন্মান কৰিবলৈ শিকোৱা হোৱা নাই। বিদ্যালয় পৰ্য্যায়তে মাতৃভাষাৰ সঠিক চৰ্চা নহলে অদূৰ ভৱিষ্যতে অসমীয়া বা আন মাতৃভাষাত ৰচিত সাহিত্য অধ্যয়ন কৰিবলৈ, নতুন সৃষ্টি কৰিবলৈ কিমান মানুহ থাকিবগৈ? সেইটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু চিন্তনীয় বিষয়।

এনে কিছু বাস্তৱ উপলব্ধিৰ আধাৰত অসমীয়া তথা মাতৃভাষাৰ চৰ্চা, উত্তৰণ, সংৰক্ষণ তথা ঐতিহ্য ৰক্ষাৰ সংকল্প লৈ কেইগৰাকীমান ব্যক্তিৰ উদ্যোগত এটি নতুন প্ৰয়াসৰ আৰম্ভণি কৰিবলৈ বিচৰা হৈছে। মূলতঃ মাতৃভাষা মাধ্যমত বিদ্যালয় পৰ্য্যায়ত শিক্ষাগ্ৰহণ তথা ভাষা হিচাপে ইংৰাজী ভাষাটোৰ দক্ষতা আহৰণ কৰাত বিশ্বাসী সমমনোভাৱাপন্ন ব্যক্তিসকল এই প্ৰয়াসটোৰ লগত জড়িত। অসমৰ প্ৰতিটো জনগোষ্ঠীৰ মাতৃভাষাৰ উত্তৰণেহে অসমৰ ভাষিক-সাংস্কৃতিক বিশেষত্ব ৰক্ষা কৰিব বুলি আমি গভীৰভাৱে বিশ্বাসী। সেইবাবে অসমীয়া তথা অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাতৃভাষাৰ সমৃদ্ধি আৰু বিকাশৰ প্ৰতি আমি দায়বদ্ধ।

আমাৰ প্ৰাৰম্ভিক লক্ষ্য আৰু উদ্দেশ্যসমূহ :

- মাতৃভাষা মাধ্যমৰ প্ৰতি সজাগতা বৃদ্ধি
- আত্মবিশ্বাস আৰু গৌৰৱ সহকাৰে মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণৰ বাবে সতি-সন্ততিক আগবঢ়াই দিবলৈ অনুপ্ৰাণিত কৰা
- গ্ৰন্থ-আলোচনী-বাতৰিকাকতৰ নিয়মীয়া অধ্যয়নেৰে ভাষাটোৰ সমৃদ্ধিৰ বাবে ইতিবাচক পৰিৱেশ ৰচনা কৰা
- ইংৰাজী মাধ্যমত পঢ়া শিক্ষাৰ্থীসকলকো ভাষা হিচাপে নিজৰ মাতৃভাষাটো আগ্ৰহেৰে অধ্যয়ন কৰিবলৈ উৎসাহিত কৰা
- জনগোষ্ঠীয় ভাষাসমূহৰ লগত পৰিচিত কৰোৱা ইত্যাদি।

আমাৰ এই প্ৰচেষ্টাত অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন আৰু জাতীয় বিদ্যালয়সমূহৰ শিক্ষা-ব্যৱস্থাৰ লগত জড়িত কিছু সংখ্যক ব্যক্তিক অন্তৰ্ভুক্ত কৰা হৈছে। পৰৱৰ্তী পৰ্য্যায়ত এই প্ৰয়াসৰ প্ৰতি আগ্ৰহী ৰাজ্যখনৰ সকলো প্ৰান্তৰে আন ব্যক্তিৰো সহযোগিতা বিচৰা হ'ব।

সাহিত্যিক এগৰাকীৰ নিজৰ মাতৃভাষাতহে যে বিশ্ব-সাহিত্যৰ প্ৰায়বোৰ অমৰ সাহিত্য সৃষ্টি হৈছে আৰু পৰৱৰ্তী সময়ত এইসমূহ ইংৰাজী তথা অন্য ভাষালৈ অনূদিত হৈছে, সেয়া ইতিহাসে প্ৰমাণ কৰিছে। উদাহৰণ স্বৰূপে, ২০২২ চনত হিন্দী ভাষাত আৰু ২০২৫ চনত কানাড়া ভাষাত ৰচিত গ্ৰন্থই বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সাহিত্য পুৰস্কাৰ 'বুকাৰ প্ৰাইজ' লাভ কৰিবলৈ সক্ষম হৈছে। একেদৰে, সভ্যতাৰ আন সকলো দিশতেই যিসকল বিজ্ঞানী, সমাজ সংস্কাৰক, ৰাষ্ট্ৰ নিৰ্মাতা, শিল্পী, সাহিত্যিকে তেওঁলোকৰ যুগান্তকাৰী অৱদানেৰে মানৱ সভ্যতাক আজিৰ স্তৰত উপনীত কৰাইছেহি, তেওঁলোকৰ অধিকাংশৰে মৌলিক সৃষ্টি, গৱেষণা, চিন্তা-চৰ্চা আদি প্ৰস্ফুটিত হৈছিল আপোন ভাষাটোৰ জৰিয়তেহে, আন কোনো বিদেশী ভাষাৰ মাধ্যমত নহয়। নিজৰ ঘৰখনত, পৰিয়ালত, চৌপাশৰ সামাজিক ক্ষেত্ৰখনত আমিও আমাৰ আপোন ভাষাটোক শ্ৰদ্ধা কৰিবলৈ, ভাল পাবলৈ আৰু চৰ্চা কৰিবলৈ সকলো ধৰণৰ হীনমন্যতাৰ বিপৰীতে আত্মবিশ্বাস আৰু আত্মসন্মানবোধেৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

আমি বিশ্বাস কৰোঁ — জাতীয় স্বাভিমান, জাতীয় পৰিচয় আৰু শিক্ষা-ভাষা-সংস্কৃতিৰ উত্তৰণৰ অন্যতম অপৰিহাৰ্য্য চৰ্ত হৈছে মাতৃভাষাৰ চৰ্চা আৰু ভাষাটোৰ প্ৰতি সন্মান।

শ্ৰদ্ধাৰে,

ড° ৰমেশ চন্দ্ৰ ডেকা : উপাচাৰ্য্য, কটন বিশ্ববিদ্যালয়; সভাপতি, প্ৰণামো মাতৃভাষা

অভিজিত শৰ্মা বৰুৱা : বিশিষ্ট সাহিত্যিক, প্ৰাক্তন মুখ্য অভিযন্তা, এপিডিচিএল; সম্পাদক, প্ৰণামো মাতৃভাষা

ড° হিতেশ ডেকা : প্ৰাক্তন উপাচাৰ্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়; আহ্বায়ক, প্ৰণামো মাতৃভাষা

ডা° নাৰায়ণ শৰ্মা : সচিব, অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ; আহ্বায়ক, প্ৰণামো মাতৃভাষা

দিলীপ কুমাৰ দত্ত চৌধুৰী : কাৰ্য্যকৰী সভাপতি, অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

কুলেন্দ্ৰ কুমাৰ ভাগৱতী : সভাপতি, শিশু শিক্ষা সমিতি, অসম

জগন্নাথ ৰাজবংশী : সাধাৰণ সম্পাদক, শিশু শিক্ষা সমিতি, অসম

প্ৰকাশ মহন্ত : জ্যেষ্ঠ সাংবাদিক

গৌতম শৰ্মা : জ্যেষ্ঠ সাংবাদিক

মানস ৰবীন : বিশিষ্ট শিল্পী

ড° সত্যকাম বৰঠাকুৰ : অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়

জয়মতী নাৰ্জাৰী : অৱসৰপ্ৰাপ্ত শিক্ষক, বকলীয়া ঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় ; সংগীত শিল্পী

ৰিঞ্জুমণি বৰা নেওগ : অৱসৰপ্ৰাপ্ত অধ্যক্ষ, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়

হিতেন প্ৰসাদ গোস্বামী : কাৰ্য্যালয় সচিব, অসম প্ৰকাশন ভাৰতী

ৰমানন্দন বৰা : শিক্ষক, নহটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাট

লক্ষ্মীনাথ বেজবৰুৱাৰ মনৰ কথা



এলেহুৱা মানুহে সদায় নিজৰ গাৰ এলাহ ঢাকিবৰ মনেৰে, নিজে নকৰা বা কৰিব নোৱাৰা কামবোৰৰ বিষয়ে এঙাই কয়। আমাৰ মাতৃভাষাৰ ভালৰ হকে পুৰুষাৰ্থ নকৰা বা কৰিব নোৱাৰাসকলেও এঙাই ক'বলৈ নেপাহৰে যে 'অসমীয়া ভাষাত কি আছে? সি যেনে দুখীয়া সি যে এই পৃথিৱীত আত্মৰক্ষা কৰি টিকিব পাৰিব, এনে আশা নাই।' কিন্তু স্বৰূপাৰ্থত অসমীয়া ভাষা দুখীয়া নে আমিহে সেই ভাষা জ্ঞানৰ দুখীয়া, তাৰ ওৰ আমি নলওঁ। তিনিশ বছৰৰ আগেয়েই যি অসমীয়া ভাষাই ব্যাসৰ মহাভাৰত, শ্ৰীমদ্ভাগৱত গীতা, বাল্মীকিৰ ৰামায়ণ আৰু নানা পুৰাণ, উপ-পুৰাণৰ ভাব, শিক্ষা আৰু তত্ত্ববোৰ নিজৰ কৰায়ত্ত কৰি অসমীয়া সাজেৰে ৰমক-জমককৈ পিন্ধাই-উৰাই ৰজাৰ চ'ৰা, প্ৰজাৰ সভা, বিদ্বানৰ মেল, ধৰ্মসত্ৰ আৰু সমাজ শৰীৰৰ অংগ-প্ৰত্যংগাদিৰ উপযোগী কৰি উলিয়াব পাৰিছিল আৰু যি ভাষাই বুৰঞ্জী, উপাখ্যান, কাব্য আদি প্ৰকাশ কৰিবলৈ আঁতিছিল, যি ভাষাই স্বাধীন আৰু পুৰণি শকত অসম ৰাজ্যৰ অসমীয়া প্ৰজাক তেওঁলোকৰ সুখ-দুখ, ৰং-আনন্দ, শোক-পৰিতাপ আৰু জ্ঞান-বিদ্যা চৰ্চা বিষয়ত আটকত নেপেলাইছিল, সেই ভাষা ভিকহু? সেই ভাষা দুখীয়া? বাস্তৱিক পক্ষত সেই ভাষা দুখীয়া নহয়। আজিকালিৰ আমি অসমীয়াবোৰেহে মাতৃভাষা-লক্ষ্মীৰ পৰা বঞ্চিত হৈ ভিকহু হৈছোঁহঁক। আমাৰ ভাষা ভঁৰালৰ লোণ-তেল, ধান-চাউল আছে, ভাষা-শাকনিত শাক-পাচলি আছে, ভাষা-বিলত মাছ আছে, কিন্তু আমি সেইবোৰ গোটাই আনি ৰান্ধি-বাঢ়ি খাব নেজানি ভোকত আঁত শুকাই মৰি কান্দি কৈছোঁ—'আমি দুখিত প্ৰাণী, আমাৰ একো নাই।' আমি চকু নেমেলি পাটীতে পৰি টোপনিৰ জালত কি বি-বিয়াইছোঁ, 'পোহৰ নাই আন্ধাৰ !' ইয়াতকৈ বেজাৰৰ কথা কি আছে? আমি নিজৰ ভাষা নিজে ব্যৱহাৰ কৰিব নেজানো আৰু কওঁ—আমাৰ মাতৃভাষা দুখীয়া ! মোৰ কথাৰ প্ৰমাণ বিচাৰি সৰহ দূৰলৈ নগৈ অসমীয়া ভাষাৰ অভিধান হেমকোষৰ পাত এটা মেলি চালেই দেখা যাব যে তাৰ এপাতত থকা চাৰিভাগৰ এভাগ শব্দৰ মানে আমি বুজি নেপাওঁ আৰু সেইবোৰ ব্যৱহাৰ কৰিব নেজানো। এনেকুৱা কিয় হৈছে? সৰহ নেলাগে, ২০-৩০ বছৰৰ ভিতৰতে আমি আমাৰ ভাষাত আগেয়ে প্ৰচলিত থকা ইমানবিলাক শব্দ হেৰুৱালোঁ যে ভাবিলে দুখ লাগে। সহস্ৰলোচন ভাষাৰ এটা শব্দ একোটা একোটা চকুৰ নিচিনা। ইমান বেগাবেগিকৈ যদি এটা এটাকৈ অসমীয়া ভাষাই নিজৰ চকুবোৰ হেৰুৱাই আহে, তেন্তে অলপ কালৰ ভিতৰতে সি অন্ধলা হৈ খালত পৰি প্ৰাণত্যাগ কৰিবৰ সম্ভৱ আৰু তেতিয়া আমি সুপুত্ৰসকলে গোট খাই তেওঁৰ দহা-কাজ আড়ম্বৰেৰে সমাপন কৰি বঙলা ভাষাৰ ব্ৰাহ্মণসকলক ব্ৰহ্মভোজন যে কৰাব পাৰিম, এইটো ধুৰুপ। আমি অসমীয়া ভাষা নিশিকোঁ, আলচ নকৰোঁ আৰু নকওঁ—তাত একো নাই। নাই মানে আমাৰ মূৰত নাই, বুদ্ধিত নাই,—অসমীয়া ভাষাত নহয়। আমি নাই বুলি সাপত বিষ নথকাটো ভাবি ল'ব পাৰোঁ, কিন্তু ফেঁটী সাপৰ খোঁটে আমাৰ ভুল ভাবনাৰ ছালখন ফুটাই তাত কালকূট ঢালি দি যে আমাক কালৰ হাতত সমৰ্পণ নকৰি নেৰে, এইটো থিৰাং জানিবা। ❐



"মাতৃভাষাৰ
জ্ঞান আৰু অনুভৱ
অবিহনে
এজন মানুহ বোবা।"

মহাত্মা গান্ধী

"স্বদেশ আৰু স্বজাতিৰ
উন্নতিৰ মংগল-মন্দিৰৰ
সিংহদুৱাৰ হৈছে
মাতৃভাষা।"

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা





"এজন মানুহৰ যি মাতৃভাষা,
সেই ভাষাত কথা পাতিলেহে
তেওঁৰ অন্তৰাত্মাত প্ৰৱেশ
কৰিব পাৰি,
আপোন হ'ব পাৰি।"

নেলচন মেণ্ডেলা

স্কুলীয়া শিক্ষা আৰু মাতৃভাষা মাধ্যম

ডাঃ নাৰায়ণ শৰ্মা

শিক্ষা তথা প্ৰকৃত জ্ঞান আহৰণৰ বাবে মাতৃভাষা মাধ্যমৰ বাহিৰে আন ভাষাৰ মাধ্যম শিশুসকলৰ ওপৰত জাপি দিয়াটো যে বিজ্ঞানসন্মত নহয়, সেয়া সমগ্ৰ বিশ্বজুৰি এটা প্ৰতিষ্ঠিত সত্য। এটা কথা প্ৰথমতে পৰিষ্কাৰ হৈ থোৱা ভাল যে, শিক্ষা গ্ৰহণৰ 'মাধ্যম' হিচাপেহে (বিশেষকৈ স্কুল পৰ্য্যায়ত) আমি ইংৰাজী মাধ্যমৰ পোষকতা নকৰোঁ, কিন্তু 'ভাষা' হিচাপে স্কুল পৰ্য্যায়ৰ পৰাই ইংৰাজী ভাষাটো যথেষ্ট ভালদৰে আৰু গুৰুত্ব সহকাৰে শিকোৱাটো আমি সমানেই প্ৰয়োজনীয় তথা অপৰিহাৰ্য্য বুলি ভাবোঁ। 'মাধ্যম' আৰু 'ভাষা' এই শব্দ দুটাৰ পাৰ্থক্য তথা গুৰুত্বটো যেন কোনোৱে সনা-পিটিকা কৰি লঘু কৰি নেপেলায়।

নগৰ অঞ্চলত একাংশ অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাৰ যি প্ৰৱণতা দেখা যায়, তাৰ প্ৰভাৱ ক্ৰমান্বয়ে সৰু সৰু নগৰ আৰু গাঁও অঞ্চললৈও সম্প্ৰসাৰিত হৈছে। ইয়াৰ কাৰণবোৰ বিভিন্ন ধৰণৰ আৰু সেয়া ব্যাপক বিতৰ্কৰ বিষয়। সেইবোৰ ইয়াত বিশ্লেষণ কৰাটো আমাৰ উদ্দেশ্য নহয়। কিন্তু শিক্ষা আৰু জ্ঞান আহৰণৰ বাবে মাধ্যমৰ প্ৰশ্নটো যিহেতু অতি গুৰুত্বপূৰ্ণ সেয়েহে 'মাতৃভাষা মাধ্যম' আৰু 'বিদেশী ভাষা' (যেনে—ইংৰাজী) মাধ্যমৰ ভিতৰত শিশুৰ প্ৰতিভা বিকাশৰ বাবে কোনটো বেছি উপযোগী সেই বিষয়ে আবেগ বিবৰ্জিতভাৱে আলোচনা কৰাৰ প্ৰয়োজন আছে। এইখিনিতে উল্লেখনীয় যে ইংৰাজী মাধ্যমৰ বিপৰীতে যোৱা দুই-তিনিটা দশকত অসমত বেচৰকাৰী খণ্ডৰ হাজাৰ হাজাৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ো গঢ়ি উঠিছে আৰু তাত সম্প্ৰতি লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। ইয়াৰ দ্বাৰা মাতৃভাষা মাধ্যমৰ প্ৰতি যে অভিভাৱকসকলৰ আস্থা অটুট আছে সেই কথাটো প্ৰমাণিত হৈছে।

মাতৃভাষা মাধ্যমৰ সপক্ষে যুক্তি আগবঢ়োৱাৰ লগত 'উগ্ৰ ভাষাপ্ৰেম', 'উগ্ৰ জাতিপ্ৰেম' বা 'উগ্ৰ জাতীয়তাবাদী' চিন্তাৰ কোনো সম্পৰ্ক নাই। আকৌ বহুতে ভবাৰ দৰে নিজৰ আদৰ্শবোধ জাহিৰ কৰিবলৈ গৈ ল'ৰা-ছোৱালীৰ ওপৰত মাতৃভাষা মাধ্যমৰ 'পশ্চাদমুখী'(?) বোজা এটা জাপি দিয়াৰো সাহস বা ধৃষ্টতা আমাৰ নাই। যিটো কথা সম্পূৰ্ণ বিজ্ঞানসন্মতভাৱে শুদ্ধ বুলি বিশিষ্ট শিক্ষাবিদ, শিক্ষা-মনোবিজ্ঞানীসকলে কৈ গৈছে, আমাৰ বিচাৰ-বিবেচনাৰে যিটো কথা শুদ্ধ বুলি গভীৰভাৱে বিশ্বাস কৰোঁ, তেনে বিজ্ঞানসন্মত সত্য এটিৰহে আমি সপক্ষে।

স্কুললৈ অহাৰ আগেয়ে ঘৰৰ পৰিবেশত প্ৰথমে কলকলাই, এটা দুটাকৈ শব্দ শিকি, লাহে লাহে বাক্য একোটা গঠন কৰি নিজৰ ভাব প্ৰকাশ কৰিবলৈ শিশুসকল সক্ষম হয়। নিজৰ মাক-দেউতাক তথা পৰিয়ালৰ আনসকলে ব্যৱহাৰ কৰা ভাষাটোৰ জৰিয়তেই (সেইটোৱেই শিশুটিৰ মাতৃভাষা) তাৰ চৌপাশৰ পৰিবেশৰ লগত, পৃথিৱীখনৰ লগত পৰিচয় হ'বলৈ আৰম্ভ কৰে। মাতৃভাষাতেই তাৰ বোধশক্তিৰ বিকাশ হয়; কিন্তু মানসিক বিকাশৰ এনে এটি স্তৰতেই যদি বিদেশী ভাষাৰ প্ৰাচীৰ এখন শিশুটিৰ সন্মুখত থিয় কৰোৱা হয়; নজনা, নুশুনা নতুন ভাষা এটাৰে তাক চৌপাশৰ বিভিন্ন বস্তুৰ লগত, পাঠ্যপুথিত থকা বিষয়বোৰৰ লগত চিনাকি কৰাই দিবলৈ চেষ্টা কৰা হয়, সেই কথাটো নিশ্চিতভাৱে ক্ষতিকাৰক হয়।

নতুন ভাষা এটা ভালদৰে আয়ত্ত হোৱাৰ পাছতহে দৰাচলতে শিশুৱে কোনো এটা বস্তু বা বিষয় হৃদয়ংগম কৰিবলৈ বা বুজিবলৈ সমৰ্থ হয়। গতিকে কোমল বয়সতে বিদেশী ভাষা এটাৰ মাধ্যমত লিখা-পঢ়াৰ বোজা শিশুৰ ওপৰত জাপি দিলে সি ভাটৌ-বিদ্যা আয়ত্ত কৰিবলৈ সমৰ্থ হ'ব পাৰে, কিন্তু কোনো এটা বিষয়ৰ ওপৰত মৌলিক ধাৰণা বা জ্ঞান আহৰণ কৰিবলৈ সমৰ্থ নহয়। ইয়াৰ ফলত বেছিকৈ ক্ষতিগ্ৰস্ত হয় মধ্যমীয়া তথা নিম্ন বুদ্ধিমত্তাৰ ছাত্ৰ-ছাত্ৰীসকল। মেধাৱী এচাম মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীৰ বাহিৰে বাকী বহু সংখ্যকৰে ফলাফল পাছলৈ আশাপ্ৰদ নহয়।

বহুতৰেই এটি ভ্ৰান্ত ধাৰণা আছে বা বহুতেই আশা কৰে যে ভৱিষ্যতে সলসলীয়াকৈ ইংৰাজী ক'বলৈ, প্ৰশাসনীয় সেৱাৰ উচ্চ পদবীৰ চাকৰি পাবলৈ হ'লে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ল'ৰা-ছোৱালীক পঢ়োৱাৰ কোনো বিকল্প নাই। আন বহুতেই আকৌ

অসমীয়া ভাষাৰ উচ্চমানৰ পুথিৰ অভাৱ, প্ৰসংগ-পুথিৰ অভাৱ, ভাল স্কুলৰ অভাৱ আদিৰ অজুহাতত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱাৰ সপক্ষে যুক্তি আগ বঢ়ায়। কিন্তু এটা কথা দৃঢ়তাৰে ক'ব পাৰি যে অন্ততঃ স্কুল পৰ্য্যায়ৰ শিক্ষাৰ বাবে অসমীয়া ভাষাত প্ৰসংগ-পুথি, পৰিভাষা, বিজ্ঞান অভিধান বৰ্তমান সহজে উপলব্ধ হৈছে।

পাঠ্যপুথিৰ মান, প্ৰসংগ-পুথিৰ অভাৱ, ভাল স্কুলৰ অভাৱৰ সমস্যাটো কম-বেছি পৰিমাণে ইংৰাজী-অসমীয়া উভয় মাধ্যমৰ বিদ্যালয়ত আছে। অসমীয়া মাধ্যমৰ বিদ্যালয় মানেই বেয়া আৰু 'ইংৰাজী মাধ্যমৰ বিদ্যালয়' বুলি কেঁকুৰিয়ে কেঁকুৰিয়ে একোখন ছাইনব'ৰ্ড লগাই দিলেই সেইবোৰ আদৰ্শ স্কুল—এনে দুৰ্বল চিন্তা কিছুমানৰ সুযোগ লৈয়েই আমাৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমেৰে 'শিক্ষা' দিয়াৰ নামত প্ৰকৃততে কিমান গুণগত মানসম্পন্ন শিক্ষা প্ৰদান কৰা হৈছে সেয়াও এক বিচাৰ্য্য বিষয়।

যদি ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ালেই ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় প্ৰশাসনীয় সেৱাৰ বা অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত কৃতিত্ব দেখুওৱাটো নিশ্চিত হ'লহেঁতেন, তেনেহ'লে আমাৰ ৰাজ্যৰ ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে এই ক্ষেত্ৰত কিয় উল্লেখনীয় সফলতা দেখুৱাবলৈ সমৰ্থ হোৱা নাই?

এনেবোৰ যুক্তি সম্পূৰ্ণ সঁচা হ'লে ভিতৰুৱা অঞ্চলৰ অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ পৰা প্ৰতি বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম, দ্বিতীয় বা অন্যান্য স্থান অধিকাৰ কৰি চমকপ্ৰদ সাফল্য দেখুৱাবলৈ কোনোবা ছাত্ৰ-ছাত্ৰী সমৰ্থ হ'লহেঁতেননে?

১৯৯২ চনত কেন্দ্ৰীয় মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে বিশিষ্ট শিক্ষাবিদ, অধ্যাপক যশ পালৰ নেতৃত্বত গঠন কৰা পৰামৰ্শদাতা সমিতিয়ে 'লাৰ্ণিং উইদাউট বাৰ্ডেন' (Learning Without Burden) নামৰ যিখন প্ৰতিবেদন দাখিল কৰিছিল, সেই প্ৰতিবেদনখনত ইংৰাজী মাধ্যম সম্পৰ্কে দাঙি ধৰা মতামত প্ৰণিধানযোগ্য। সমিতিয়ে প্ৰতিবেদনত কৈছে—

"মানুহৰ বৰ্দ্ধিত উচ্চাকাংক্ষাই এনে এক উপলব্ধিও ক্ৰমান্বয়ে দৃঢ় কৰিছে যে তেওঁলোকৰ আকাংক্ষা পূৰণৰ বাবে শিক্ষা অতি প্ৰয়োজনীয়, ইয়াৰ ফলস্বৰূপে ইংৰাজী বিদ্যালয়; যিবোৰে অতি কম বয়সতে শিশুৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰে, সেইসমূহত ল'ৰা-ছোৱালীৰ নামভৰ্তি কৰাবৰ বাবে অভিভাৱকসকলৰ দৌৰা-ঢপৰা এক বলিয়ালিত পৰিণত হৈছে।

সমাজৰ শিক্ষিত চামে ভাবে যে সামাজিক জীৱনত উন্নতি সাধনৰ বাবে ইংৰাজী ভাষাৰ ওপৰত দক্ষতা অতিশয় প্ৰয়োজনীয়। এই ধাৰণাটিৰ বাবে অপ্ৰতিৰোধ্যভাৱে বেচৰকাৰী উদ্যোগত ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানসমূহ গঢ়ি উঠিছে। এই শিক্ষানুষ্ঠানবোৰত ইংৰাজী এটা বিষয় হিচাপে শিকোৱাৰ উপৰি আন বিষয়বোৰৰ শিক্ষাদানৰ মাধ্যমৰূপে প্ৰথম শ্ৰেণীৰ পৰাই ইংৰাজী ভাষা ব্যৱহাৰ কৰা হয়।"

প্ৰতিবেদনত আৰু কৈছে— "এইটো সৰ্বজনবিদিত যে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া কোমল বয়সৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ বিষয়বোৰ একে নুবুজাকৈয়ে মুখস্থ কৰি থয়। শিক্ষা-বিজ্ঞানৰ এইটো এটা প্ৰতিষ্ঠিত মত যে মুখস্থ কৰি মনত ৰখা কথাবোৰ শিশুৰ বাবে বোজাহে হৈ পৰে। মাতৃভাষাৰ বাহিৰে আন ভাষাৰ মাধ্যমত শিশুটিক শিক্ষাদান কৰিলে সেয়া শিশুৰ শৈক্ষিক বোজাৰ এটি বৃহৎ উৎস হৈ পৰে। (It is a well known fact that young children studying in English medium schools mug up the content of Science and Social Science without understanding. It is an accepted principle of pedagogy that whatever is memorised without understanding proves burdensome for children. Any language other than the mother tongue of the child, if used as medium of instruction is a big source of academic burden on children.) চহৰ আৰু উপকণ্ঠ অঞ্চলৰ বেছিভাগ পিতৃ-মাতৃয়ে এই সত্যটো উপলব্ধি কৰিব নোৱাৰে। বৰঞ্চ তেওঁলোকে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যমৰূপে গ্ৰহন কৰিবলৈ বেছি চেষ্টাহে কৰা দেখা যায়।"

যশ পাল সমিতিৰ প্ৰতিবেদনৰ এই বক্তব্যই সাম্প্ৰতিক প্ৰতিচ্ছবিখন পৰিষ্কাৰকৈ উদঙাই দিছে।

শেহতীয়াকৈ, ৰাষ্ট্ৰীয় শিক্ষানীতি (NEP) ২০২০ত মাতৃভাষা মাধ্যমৰ পোষকতা কৰি দিয়া পৰামৰ্শসমূহৰ বিষয়ে ইতিমধ্যে বহুলভাৱে চৰ্চা হৈছে। সেই বিষয়ে বিশদ আলোচনালৈ নগৈ NEP ৰ এই সম্পৰ্কীয় দুটামান মূল পৰামৰ্শ ইয়াত উল্লেখ কৰিবলৈ বিচাৰিছোঁ।

দফা ৪.১১ "এইটো সহজে বোধগম্য যে শিশুসকলে জটিল বিষয়বোৰ নিজৰ মাতৃভাষা/ঘৰুৱা ভাষাত অতি ক্ষিপ্ৰতাৰে আয়ত্ত কৰে... য'তেই সম্ভৱ ('যদি সম্ভৱ' নহয়) অন্ততঃ পঞ্চম শ্ৰেণীলৈকে আৰু পৰাপক্ষত অষ্টম শ্ৰেণীলৈ শিক্ষাৰ মাধ্যম হ'ব ঘৰুৱা ভাষা/মাতৃভাষা/স্থানীয় ভাষা/আঞ্চলিক ভাষা... কোনো এটা ভাষা ভালদৰে শিকোৱা বা শিকাৰ বাবে সেই ভাষাটো শিক্ষাৰ মাধ্যম হোৱাৰ প্ৰয়োজন নাই।"

ইয়াৰ দ্বাৰা এইটো কথাই স্পষ্ট হৈ পৰে যে ইংৰাজী ভাষাটোও 'ভাষা' হিচাপে ভালদৰে শিকাৰ বাবে শিক্ষাৰ মাধ্যমটোকেই ইংৰাজী কৰাৰ প্ৰয়োজন নাই। যদি বিশেষ প্ৰয়োজনত অনুভৱ কৰা যায় যে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়

পৰ্য্যায়ত ফৰাচী ভাষাটো শিকিব লাগিব; তেনে ক্ষেত্ৰত বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আদি বিষয়বোৰ শিকাৰ মাধ্যমো ফৰাচী ভাষা হ'ব লাগিব নেকি? মৌলিক প্ৰশ্নটো আচলতে এইটোৱেই।

বিজ্ঞান আৰু গণিত বিষয় দুটা মাতৃভাষা মাধ্যমত শিকোৱাৰ পৰামৰ্শ দিয়াৰ লগতে এই ভাষা দুটাৰ বিষয়বস্তুবোৰৰ ইংৰাজী ৰূপটোৰ লগতো যাতে ছাত্ৰ-ছাত্ৰীসকল সমানেই পৰিচিত হ'ব পাৰে তাৰ বাবে দ্বিভাষিক পাঠ্যপুথি প্ৰণয়নৰো পৰামৰ্শ NEP-ত দিয়া হৈছে।

দফা ৪.১৪ : "বিজ্ঞান আৰু গণিত বিষয়ৰ বাবে উন্নত মানৰ দ্বিভাষিক (bilingual) পাঠ্যপুথি আৰু শিক্ষণ-সঁজুলি প্ৰস্তুত কৰাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা চলোৱা হ'ব যাতে ছাত্ৰ-ছাত্ৰীসকলে এই 'বিষয়' দুটাৰ বিষয়ে ঘৰুৱা ভাষা/মাতৃভাষাৰ লগতে ইংৰাজী ভাষাতো চিন্তা কৰিব আৰু ক'ব পৰা হয়।" (মন কৰিবলগীয়া যে এই বিষয়বোৰ 'কেৱল ইংৰাজী মাধ্যম'ত শিকোৱাৰ কথা কোৱা হোৱা নাই।)

এইখিনিতে উল্লেখ কৰিবলৈ বিচাৰিছোঁ যে ২০২০ বৰ্ষত ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰস্তুত হোৱাৰ বহু বছৰ আগৰ পৰাই অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচলিত বিজ্ঞান আৰু গণিতৰ পাঠ্যপুথিসমূহত পঞ্চম শ্ৰেণীৰ পৰাই আংশিকভাৱে এনে দ্বিভাষিক ব্যৱস্থা প্ৰবৰ্তন কৰি অহা হৈছে। বিজ্ঞান আৰু গণিত বিষয়ৰ মূল তথা গুৰুত্বপূৰ্ণ শব্দবোৰৰ (terminology) কাষতে বন্ধনীৰ ভিতৰত তাৰ ইংৰাজী প্ৰতিশব্দবোৰ দিয়া আছে। এনে শব্দবোৰ ছাত্ৰ-ছাত্ৰীয়ে শিকা বা লিখাটো নিশ্চিত কৰাৰ বাবে পৰীক্ষাৰ প্ৰশ্নকাকততো সেই প্ৰতিশব্দবোৰৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হয়।

দফা ৪.১৫ : "পৃথিৱীৰ বহুসংখ্যক উন্নত দেশে এইটো সন্দেহাতীতভাৱে প্ৰমাণ কৰিছে যে নিজৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে সুন্দৰভাৱে প্ৰশিক্ষিত হোৱাটো শৈক্ষিক, সামাজিক আৰু প্ৰযুক্তিগত অগ্ৰগতিৰ অন্তৰায়তো নহয়েই, বৰঞ্চ সেয়া এক প্ৰচুৰ লাভ/সুফল।"

২০২০ৰ শিক্ষানীতিয়ে **২২.১০ দফাত** দিয়া পৰামৰ্শ অনুসৰি কেৱল প্ৰাথমিক পৰ্য্যায়তেই মাতৃভাষা মাধ্যমৰ পোষকতা কৰা নাই, আনকি উচ্চ শিক্ষানুষ্ঠানসমূহতো (Higher Educational Institutions) পৰ্য্যায়ক্ৰমে মাতৃভাষা/স্থানীয় ভাষাত অথবা দ্বৈত ভাষাত শিক্ষাদানৰ পৰামৰ্শ আগ বঢ়াইছে যাতে এনে শিক্ষা সমাজৰ সকলো স্তৰৰ শিক্ষাৰ্থীৰ বাবে সহজলভ্য হয় আৰু শিক্ষা ব্যৱস্থাত অধিক শিক্ষাৰ্থী ভৰ্তি হোৱাৰ সুযোগ পায়। দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে চিকিৎসাবিজ্ঞান তথা আভিযান্ত্ৰিক শিক্ষাও মাতৃভাষা মাধ্যমত কৰাৰ বাবে প্ৰকাশ কৰি অহা বক্তব্যবোৰ নিশ্চয় এনে পৰামৰ্শৰ আধাৰতেই প্ৰতিষ্ঠিত। উচ্চ শিক্ষানুষ্ঠানবোৰত তথা চিকিৎসা/আভিযান্ত্ৰিক শিক্ষাত এনে ব্যৱস্থা প্ৰণয়ন কৰাটো কিমানদূৰ সঠিক, সফল বা সম্ভৱ হ'ব সেয়া বিতৰ্কৰ বিষয়, কিন্তু এনে পৰ্য্যায়লৈকে মাতৃভাষা মাধ্যমত শিক্ষাদানৰ পোষকতা কৰাৰ কথাটোৱেই শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা মাধ্যমৰ প্ৰাসংগিকতা তথা উপযোগিতা পুনৰবাৰ অধিক সবল ৰূপত প্ৰতিপন্ন কৰিছে।

মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰিলে শিশুৰ সৃজনশীল প্ৰতিভা, বোধশক্তি, কল্পনাশক্তিকে ধৰি তাৰ অন্তৰ্নিহিত সকলো প্ৰতিভাৰ বিকাশ সহজসাধ্য হয়। কিয়নো মাতৃভাষা হৈছে শিশুৰ মন আৰু অন্তৰৰ ভাষা, যাৰ সহায়ত সকলো ভাব, অনুভূতি, চিন্তাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ হয়। স্কুল পৰ্য্যায়ত মাতৃভাষা মাধ্যমত শিক্ষাদানৰ এক অন্যতম গুৰুত্বপূৰ্ণ সুবিধা এয়ে যে অধিকাংশ পিতৃ-মাতৃ বা পৰিয়ালৰ আন সদস্যয়ো শিশু এটিৰ পঢ়া-শুনাত বহু পৰিমাণে চকু ফুৰাই দিব পাৰে।

নিজৰ মাতৃভাষা বা সাহিত্যত নিপুণতা অৰ্জন কৰিব নোৱৰা ছাত্ৰ-ছাত্ৰীৰ খুব কমসংখ্যকেহে বিদেশী ভাষা-সাহিত্যত ব্যুৎপত্তি লাভ কৰিব পাৰে। বিভিন্ন গৱেষণাই এইটো প্ৰমাণ কৰিছে যে ইংৰাজী বা যিকোনো বিদেশী ভাষা ভালদৰে আয়ত্ত কৰাৰ বাবে প্ৰথমতে নিজৰ মাতৃভাষাটো ভালদৰে শিকি লোৱাটো অতি প্ৰয়োজনীয়।

বিশ্ব-সাহিত্যৰ প্ৰায়বোৰ অমৰ সৃষ্টি হৈছে সাহিত্যিক একোজনৰ নিজৰ মাতৃভাষাতহে—যিবোৰ পাছত ইংৰাজীকে ধৰি আন বহু ভাষালৈ অনূদিত হৈছে। একেদৰে সভ্যতাৰ আন সকলো দিশতেই যিসকল বিজ্ঞানী, সমাজ সংস্কাৰক, ৰাষ্ট্ৰনিৰ্মাতা, শিল্পী, সাহিত্যিকে তেওঁলোকৰ যুগান্তকাৰী অৱদানেৰে মানৱ সভ্যতাক আজিৰ স্তৰত উপনীত কৰাইছেহি, তেওঁলোকৰ অধিকাংশৰে মৌলিক সৃষ্টি, গৱেষণা, চিন্তা-চৰ্চা আদি প্ৰস্ফুটিত হৈছিল নিজৰ ভাষাৰ জৰিয়তেহে, আন কোনো বিদেশী ভাষাৰ সহায়ত নহয়।

ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত লক্ষ্য কৰিবলগীয়া আন এক দুৰ্ভাগ্যজনক দিশ হৈছে এয়ে যে তেওঁলোকৰ বহুতকেই এক ছিন্নমূল সংস্কৃতিয়ে গ্ৰাস কৰি পেলায়। নিজৰ ভাষা, কৃষ্টি, সাহিত্য-সংস্কৃতিৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ তেওঁলোক সমাজ জীৱনত দিশহাৰা হৈ পৰে। কোনখন সমাজৰ, কোনটো সংস্কৃতি-সভ্যতাৰ তেওঁলোক অংশীদাৰ, সেই বিষয়ে কোনো ধাৰণাই ল'ব নোৱৰা এনে বহু ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে আত্মপৰিচয় হেৰুৱায় আৰু পাছলৈ সেয়া আত্মবিশ্বাসহীনতাত পৰিণত হয়।

উল্লিখিত কথাখিনিৰ দ্বাৰা সকলো ছাত্ৰ-ছাত্ৰীকেই সৰলীকৰণ কৰি একে শাৰীত পেলাব খোজা হোৱা নাই। ছিন্নমূল সংস্কৃতিয়ে গ্ৰাস কৰা পৰিস্থিতিটোৰ বাবে অভিভাৱক তথা পৰিয়ালৰ প্ৰভাৱো সমানেই দায়ী। কিয়নো, ইংৰাজী মাধ্যমত লিখা-পঢ়া কৰিও

অভিভাৱকৰ সুপৰিচালনাৰ প্ৰভাৱত নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা অনেক ছাত্ৰ-ছাত্ৰী দেখা যায়। আকৌ মাতৃভাষা মাধ্যমত পঢ়া মানেই নিজৰ ভাষা-সংস্কৃতিক অৱজ্ঞা নকৰা—এনে কথাও আমি ক'ব নোখোজোঁ। কিন্তু ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এই সমস্যাটো যে বহুগুণে বেছি সেয়া এক নিৰ্মম সত্য।

মাতৃভাষা মাধ্যমৰ প্ৰয়োজনীয়তা বা উপযোগিতাৰ বিৰুদ্ধে তথ্যসমৃদ্ধ আৰু শক্তিশালী মতামত আমাৰ দৃষ্টিগোচৰ হোৱা নাই। কিন্তু ইয়াৰ সপক্ষে হোৱা চিন্তা-চৰ্চা বা মতামতৰ অলেখ তথ্য আছে। এনে কিছু কথা আমি চমুকৈ দাঙি ধৰিবলৈ বিচাৰিছোঁ।

প্ৰখ্যাত শিক্ষাবিদ ৰায়বাৰ্ণে (W.M. Ryburn, 1895-1986) কৈছে—

"মাতৃভাষা একাধাৰে সঁজুলি; আনন্দ, সুখ আৰু জ্ঞানৰ উৎস; ৰুচি আৰু শিকন প্ৰক্ৰিয়াৰ পৰিচালক।" (The mother-tongue is at once a tool, a source of joy and happiness and knowledge; a director of taste and learning.)

দাৰ্শনিক সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ বক্তব্য এই ক্ষেত্ৰত পোনপটীয়া আৰু স্পষ্ট। বিদেশী ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণৰ বিৰোধিতা কৰি ৰাধাকৃষ্ণণ আয়োগে (Radha Krishnan Commission, 1948-49) কৈছিল—

"বিদেশী ভাষা এটাক জ্ঞান আহৰণৰ মাধ্যম হিচাপে লোৱা কথাটো শিক্ষা বিজ্ঞানৰ দৃষ্টিভংগীৰেই অনুপযুক্ত।" (It is educationally unsound to make a foreign tongue the means of aquiring knowledge...)

মহাত্মা গান্ধীয়েও এই ক্ষেত্ৰত কৈ যোৱা এষাৰ কথা বৰ গুৰুত্বপূৰ্ণ। তেওঁ কৈছিল—"কেঁচুৱাৰ শাৰীৰিক বিকাশৰ বাবে মাকৰ গাখীৰ যিমান প্ৰয়োজনীয়, মানুহৰ মানসিক বিকাশৰ বাবেও মাতৃভাষা সিমানেই প্ৰয়োজনীয়।"

মুঠতে দেখা যায় যে শিশুৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত মাতৃভাষা মাধ্যমৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে কোনো দ্বিধাৰ অৱকাশ নাই। কিন্তু আমি আৰম্ভণিতেই উল্লেখ কৰা এটা কথা মনত ৰাখিব লাগিব যে উচ্চ শিক্ষা আহৰণৰ বাবে, জ্ঞান-বিজ্ঞানৰ অনন্ত ভাণ্ডাৰ উদ্‌ঘাটনৰ বাবে, বহিৰ্বিশ্বৰ লগত সংযোগ ৰক্ষা কৰাৰ বাবে, বাস্তৱ জীৱনত যিকোনো স্থান আৰু পৰিবেশৰ লগত পাৰদৰ্শিতাৰে মুখামুখি হোৱাৰ বাবে ইংৰাজী 'ভাষা'টো স্কুল পৰ্য্যায়তে শিশুক ভালদৰে শিকাব লাগিব। লিখিবলৈ শিকোৱাৰ লগতে ইংৰাজী শুদ্ধকৈ ক'বলৈ শিকোৱাৰ বাবেও বিশেষ যত্ন ল'ব লাগিব। কিয়নো কোঠাৰী আয়োগৰ (Kothari Commission) এটা অভিমতৰ লগত আমি সম্পূৰ্ণ একমত যে—

"উচ্চ শিক্ষাৰ ক্ষেত্ৰত পুথিভঁৰালৰ ভাষা হিচাপে অনাগত বহুদিনলৈকে যিহেতু ইংৰাজী ভাষাটোৰ প্ৰয়োজন হৈ থাকিব, গতিকে স্কুল পৰ্য্যায়তেই (ছাত্ৰ-ছাত্ৰীৰ বাবে) ইংৰাজী ভাষাটোৰ এটি মজবুত ভেটি তৈয়াৰ কৰিব লাগিব।" (As English will, for a long time to come, continue to be needed as a 'library language' in the field of higher education, a strong foundation in the language will have to be laid at the school stage.) ❐

(লেখক এগৰাকী শিশু বিশেষজ্ঞ; অসম জাতীয় বিদ্যালয়, গুৱাহাটীৰ অন্যতম প্ৰতিষ্ঠাপক; সচিব, অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ।)

"শিক্ষা-জীৱনৰ আৰম্ভণিৰ কালছোৱাত মাতৃভাষাত শিক্ষাদান কৰাটো শিশুৰ বৌদ্ধিক আৰু আবেগিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ।"

ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ

"Using the mother tongue in the early years of education is crucial for a child's intellectual and emotional development".

Dr. S. Radhakrishan

“কেঁচুৱাৰ শাৰীৰিক
বিকাশৰ বাবে মাকৰ গাখীৰ
যিমান প্ৰয়োজনীয়, মানুহৰ
মানসিক বিকাশৰ বাবেও
মাতৃভাষা সিমানেই
প্ৰয়োজনীয়।”

মহাত্মা গান্ধী



“বিদ্যালয় পৰ্য্যায়ত গণিত
আৰু বিজ্ঞান বিষয়ৰ শিক্ষা
মাতৃভাষাত হ’ব লাগে।
মাতৃভাষাতহে বিশ্লেষণ,
সত্যানুসন্ধান আৰু
সিদ্ধান্ত গ্ৰহণ কৰা হয়।”

চি. ভি. ৰামণ
(ন’বেল বঁটা লাভ কৰা পদাৰ্থ বিজ্ঞানী)

“We must promote
our mother tongue and
motherland.”
“আমি আমাৰ মাতৃভাষা
আৰু মাতৃভূমিৰ উত্তৰণৰ বাবে
কাম কৰিব লাগিব।”

ভেংকায়া নাইডু
ভূতপূৰ্ব উপ-ৰাষ্ট্ৰপতি

ভাষাৰ সংকট, শিক্ষাৰ মাধ্যম আৰু মাতৃভাষা

মদন শৰ্মা
অৱসৰপ্ৰাপ্ত অধ্যাপক
ইংৰাজী আৰু বিদেশী ভাষা শিক্ষা বিভাগ
তেজপুৰ বিশ্ববিদ্যালয়

আজিৰ পৰা তিনিটা দশকৰ আগতে শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ গুৰুত্ব বিষয়টো আলোচনা কৰিবলগীয়া বুলি সৰহভাগ মানুহেই ভাবিবলগীয়া হোৱা নাছিল। মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ বিদ্যায়তনিক আৰু সামাজিক প্ৰয়োজনীয়তা আৰু গুৰুত্ব দেখদেখকৈ ওলাই থকা কথা আছিল। জাতীয়তাবাদী অসম আন্দোলনৰ পিছৰ পৰাই আন্দোলনকাৰী বৃহৎসংখ্যক ৰাইজৰ ইংৰাজী মাধ্যমৰ প্ৰতি তীব্ৰ আকৰ্ষণ দেখা যায়।

ভাষা আৰু ভাষা শিক্ষা সম্পৰ্কীয় যিকোনো বিশেষজ্ঞই ক'ব যে অন্ততঃ আৰম্ভণিৰ স্তৰত শিশুক মাতৃভাষাৰে শিক্ষা প্ৰদান কৰা উচিত। বিভিন্ন গৱেষণাত এই কথা প্ৰমাণিত হৈছে যে মাতৃভাষাত পোতন থাকিলে, মাতৃভাষাত উচ্চ পৰ্য্যায়ৰ দক্ষতা থাকিলে পাছলৈ আন ভাষা শিকাত সি সহায় কৰে। বিশেষকৈ ভাষাৰ কৌশলসমূহ (কোনো এটা ভাষাত কোৱা কথা শুনি বুজা, ভাষাটো কোৱা, পঢ়া আৰু লেখাৰ কৌশল, অৰ্থাৎ শ্ৰৱণ, কথন, পঠন আৰু লেখন— এই চাৰিটা কৌশল) মাতৃভাষাত ভালদৰে আয়ত্ত হ'লে সি আন ভাষাত সেই কৌশলসমূহ আয়ত্ত কৰাত সহায় কৰে। পাছে মাতৃভাষা অতি ভালকৈ পঢ়ালেহে তেনে হোৱাটো সম্ভৱ। দুৰ্ভাগ্যবশতঃ আমাৰ বেছিভাগ বিদ্যালয়তে অসমীয়া, বড়ো আদিৰ দৰে মাতৃভাষা আৰু ইংৰাজী দুয়োটা ভাষাই ভালকৈ পঢ়োৱা নহয় আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজ ভাব-চিন্তা-অভিজ্ঞতাৰ প্ৰকাশ ঘটাব পৰাকৈ ভাষাৰ কৌশলসমূহ আয়ত্ত কৰাত জোৰ দিয়া নহয়। কেৱল পৰীক্ষাত পাছ কৰিবলৈ বা ভাল নম্বৰ পাবলৈ পঢ়িলে নম্বৰ পাব পাৰিব, ভাষাৰ কৌশলসমূহ আয়ত্ত কৰা নহ'বগৈ। তেতিয়া সকলো দোষ শিক্ষাৰ মাধ্যমৰ ওপৰত জাপি দিলে নহ'ব। সকলোৱে এই কথা গমি চোৱা উচিত যে নাৰ্ছাৰীৰ পৰা একেবাৰে স্নাতক পৰ্য্যায়লৈকে ইংৰাজী মাধ্যমত মুঠতে প্ৰায় চৈধ্য বছৰ ইংৰাজী শিকাসকলৰ ভিতৰত কিমান অংশইনো সঁচাকৈ ভাল ইংৰাজী জানে। তেওঁলোকতকৈও অতি কম ইংৰাজী পঢ়া, পঢ়াৰ আৰু শিকাৰ সুবিধা পোৱাসকলে নিশ্চয় দেখদেখকৈ ইংৰাজী ভাষাটো ভালদৰে শিকাৰ বাবে কষ্ট কৰিব লাগিব। ভাষাটো ব্যৱহাৰ কৰি—অৰ্থাৎ শুনি, কৈ, পঢ়ি আৰু লিখি— ভাষাটোৰে কিবাকিবি কাম-কাজ কৰিহে ভাষা এটা শিকা যায়। পৰীক্ষাৰ প্ৰশ্নৰ উত্তৰ দিনে-নিশাই মুখস্থ কৰি ভাষাটো শিকিব নোৱাৰি।

অসমৰ গাঁৱে-ভূঁয়ে ঘাইকৈ ব্যাৱসায়িক স্বাৰ্থত ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহ গঢ়ি উঠাৰ আগলৈকে ছাত্ৰ-ছাত্ৰীক প্ৰাৰম্ভিক শিক্ষানো কি ভাষাৰ মাধ্যমত দিয়া হ'ব সেই কথালৈ বৰকৈ মূৰ ঘমাবলগীয়া হোৱা নাছিল। আঞ্চলিক বা মাতৃভাষাতেই মাধ্যমিক পৰ্য্যায়লৈকে শিক্ষা লাভ কৰাটোৱেই সকলোৰে বাবে স্বাভাৱিক আছিল। তাহানি খৃষ্টান মিছনেৰিসকলে অসমীয়া ভাষাৰে স্থানীয় লোকৰ সতি-সন্ততিক প্ৰাৰম্ভিক পৰ্য্যায়ৰ শিক্ষা দিছিল। স্বাধীনতাৰ পাছত খৃষ্টধৰ্ম প্ৰচাৰত সুবিধা হোৱাকৈ ধৰ্ম প্ৰচাৰক-শিক্ষক ভাৰতৰ আন ঠাইৰ পৰা অসমলৈ আনি স্কুল খুলি তেওঁলোকে নজনা স্থানীয় ভাষাৰ সলনি বজাৰত দাম থকা ইংৰাজী ভাষাৰ মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। স্থানীয় ভাষা-সংস্কৃতি আৰু আনকি স্থানীয় ধৰ্মৰ প্ৰতি হীনমন্যতাৰ ভাব সৃষ্টি কৰাত একাংশ এনে ধৰ্ম প্ৰচাৰৰ বাবে ধন অৰ্জা স্কুলে আগভাগ লোৱাও দেখা গৈছিল। আনহাতে ভাৰতীয়ত্বৰ গুণ-গান কৰা সংগঠনে খোলা ব্যাৱসায়িক স্কুলতো ইংৰাজীকহে অধিক গুৰুত্ব দিয়া হয়, মাতৃভাষাক মুঠেই নহয়। যদি জনহিতকৰ কাম হিচাপেহে এনে আৰু খৃষ্টানধৰ্মী স্কুল খোলা হৈছে, ব্যৱসায়ৰ বাবে নহয়, তেন্তে সেইবিলাক স্কুলত অত্যন্ত কম হাৰত মাচুল ল'ব লাগিছিল। এনেবোৰ কথাৰ প্ৰতি আমাৰ নিবোকা অভিভাৱকসকল সজাগ নহয়।

আমাৰ দেশত ৰাষ্ট্ৰীয় চৰকাৰে এহাতে মাতৃভাষাত মানবিশিষ্ট শিক্ষা লাভৰ সুবিধা দেশৰ সকলো শিশুৰ বাবে সুলভ কৰিবৰ বাবে প্ৰচুৰ অৰ্থ ব্যয় কৰিছে, সৰ্বশিক্ষা অভিযানৰ দৰে আঁচনিৰ জৰিয়তে প্ৰাথমিক স্তৰৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰাত জোৰ দিছে, এতিয়া আকৌ মাধ্যমিক স্তৰৰ বিদ্যালয়ৰ আন্তঃগাঁথনি যিমান পাৰি উন্নত কৰি শিক্ষাৰ মান সুনিশ্চিত কৰিব খুজিছে, কেৱল অৰ্হতাসম্পন্ন আৰু প্ৰশিক্ষিত শিক্ষকৰ দ্বাৰা শিক্ষা প্ৰদান কৰাত জোৰ দিছে। আকৌ *নলেজ কমিছন* পাতি ইংৰাজী আৰু অন্য ভাষাত ৰচিত উন্নত মানৰ কিতাপ মাতৃভাষালৈ অনুবাদ কৰি (ৰাষ্ট্ৰীয় অনুবাদ মিছনৰ জৰিয়তে) ছাত্ৰ-ছাত্ৰীৰ বাবে সুলভ কৰি দিয়াৰ বাবে শ শ কোটি টকা খৰচ কৰিবলৈ লৈছে। অৰ্থাৎ মাতৃভাষাত উন্নত মানৰ শিক্ষা সকলোৰে বাবে সুলভ কৰাৰ প্ৰয়াস কৰিছে। আনহাতে দেশৰ বৃহৎসংখ্যক মধ্যবিত্ত আৰু আনকি নিম্নবিত্তৰো বেছ কিছু অংশই কেৱল ইংৰাজী মাধ্যমহে পছন্দ কৰে। অসমতো চৰকাৰে দেখাত মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ বাবে বহু কিবাকিবি কৰিবলৈ লৈছে। অথচ অসমীয়া মধ্যবিত্তৰ বৃহৎ অংশই ইংৰাজী মাধ্যমৰ প্ৰতিহে আকৰ্ষণ অনুভৱ কৰে। এই আকৰ্ষণ ইমান তীব্ৰ যে অসমত থাকিও তেওঁলোকৰ সন্তানসকলক আনকি প্ৰাথমিক পৰ্য্যায়তো নিজৰ ভাষাটো এটা বিষয় হিচাপেও পঢ়িবলৈ নিদিয়ে। তাৰ সলনি হিন্দী ভাষাটোকে হয়তো সৰুৰে পৰাই পঢ়িবলৈ দিছে আৰু ভৱিষ্যতেও দিব। কিছুসংখ্যকে অৱশ্যে অসমীয়া মাধ্যমৰ বেচৰকাৰী বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুৱাবলৈ লৈছে। ইফালে বহু চৰকাৰী মাতৃভাষা মাধ্যমৰ বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈছে। একেবাৰে বন্ধ হৈ নাযায় এইবাবে যে সমাজৰ পিছপৰা অংশৰ; ৰাজ্যখনৰ আওহতীয়া অঞ্চলত বসবাস কৰা লোকৰ আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ সন্তানৰ বাবে এতিয়াও মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়েই ভাৰসা।

মাতৃভাষা মাধ্যমৰ শিক্ষাৰ প্ৰতি, আৰু মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ প্ৰতি এনে অনীহা কিয়, ইমান অনাস্থা কিয় ? এটা জনপ্ৰিয় আৰু ভিত্তিহীন বিশ্বাস হ'ল ইংৰাজী ভালকৈ শিকিবলৈ, জানিবলৈ হ'লে ইংৰাজী মাধ্যমত পঢ়িবই লাগিব আৰু ইংৰাজী জানিলেহে জীৱনত সফল হ'ব পাৰিব। দ্বিতীয়তে, চৰকাৰী-বেচৰকাৰী বন্ধ, ছাত্ৰ-আন্দোলন আদিয়ে ইংৰাজী মাধ্যমৰ বিদ্যালয়ক স্পৰ্শ নকৰে। তাত নিয়মানুৱৰ্তিতা, অনুশাসন বৰ্তি থকাৰ লগতে নিয়মীয়াকৈ পঢ়া-শুনা হয় আৰু পঢ়াৰ উপৰি আন বিষয়ৰ শিক্ষা লাভৰ সুবিধাও পোৱা যায়। তেনে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত। অলপ দেখনিয়াৰ হৈয়ে তেনেবোৰ বিদ্যালয়লৈ যোৱা হয়। তাতে যোৱা দুটা দশকত অসমীয়া মধ্যবিত্তৰ জীৱন নিৰ্বাহৰ প্ৰণালী আৰু জীৱনচৰ্য্যালৈ যি পৰিৱৰ্তন আহিছে, যি স্বচ্ছলতা আহিছে তাৰে সৈতে খাপ খোৱা বিদ্যালয় সাধাৰণ মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয় নহয়, হ'ব পাৰে হয় ৰাজ্যৰ বাহিৰৰ আবাসিক স্কুল, নহয় অসমৰ ভিতৰৰে ইংৰাজী মাধ্যমৰ স্কুল, আনকি তথাকথিত 'আন্তৰ্জাতিক স্কুল'। অসমীয়া ভাষাটো তেওঁলোকক চাকৰি বা গৱেষণাৰ প্ৰয়োজনৰ স্বাৰ্থত, পাৰিলে ধন ঘটা কাম বা নিৰ্বাচনকেন্দ্ৰিক কাম-কাজৰ বাবেহে লাগে।

যোৱা দুটা দশকত চৰকাৰী বিদ্যালয় আৰু ইংৰাজী মাধ্যমৰ ব্যৱসায়িক বিদ্যালয়ৰ বিকল্পৰূপে অসমীয়া মাধ্যমৰ বেচৰকাৰী বিদ্যালয় কিছুসংখ্যক গঢ়ি উঠিছে। এনে বিদ্যালয়ৰ সংখ্যা এতিয়া হয়তো হাজাৰৰ ওচৰা-উচৰিয়ে হৈছেগৈ। তাৰে সৰহভাগে ৰাইজে লগ লাগি পতা, কমসংখ্যক ব্যক্তিগত গৰাকীত্বৰ। এইবোৰ বিদ্যালয়ত নিয়মানুৱৰ্তিতা, অনুশাসন, নিয়মীয়া পঢ়া-শুনাত গুৰুত্ব দিয়াৰ লগতে আন কিছুমান বিষয় শিকাৰ সুবিধাও থকা দেখা যায়। সুপৰিচালনাৰ বাবেই দৰাচলতে এনে বিদ্যালয়সমূহৰ প্ৰতি এতিয়া বেছ কিছুসংখ্যক অভিভাৱক আকৰ্ষিত হৈছে। ই শুভ লক্ষণ। ইয়াৰ বিপৰীতে নিৰ্বাচন, লোকপিয়ল আদি নানা চৰকাৰী আৰু ৰাষ্ট্ৰীয় দায়িত্ব পালন কৰিবলৈ গৈ চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী মাহৰ পাছত মাহ একো নপঢ়োৱাকৈও থাকিব পাৰে বা লাগে। বহু পুৰণি আৰু ভালদৰে চলি থকা বিদ্যালয়তো বছৰৰ পাছত বছৰ শিক্ষকৰ পদ পূৰণ নোহোৱাকৈ থাকে। সৰহভাগ বিদ্যালয়ৰ প্ৰশাসনিক ব্যৱস্থা অতি দুৰ্বল। আন্তঃগাঁথনি অলপ উন্নত হোৱাৰ পাছতো নিজৰ অনুষ্ঠান বুলি নাভাবি (চৰকাৰীহে, গতিকে আমাৰ নহয়—এনে ভাবত) সিবোৰৰ ভালদৰে চোৱা-চিতা কৰা নহয়। ক্ৰমাৎ নিষ্ঠাবান, দায়বদ্ধ শিক্ষকৰ সংখ্যা টুটি আহিছে। সকলোকে পোনবাটে বা আওবাটে চৰকাৰী বিদ্যালয়ৰ চাকৰি লাগে, কাকো সেইবোৰত নিজৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ নালাগে—এয়াই আজিৰ বাস্তৱতা। পাঠ্যক্ৰম নিৰ্মাতা, শিক্ষকক শিকাওঁতা, বিদ্যালয় পৰ্য্যায়ৰ শিক্ষাৰ বৰ্তমান-ভৱিষ্যতৰ গৰাকী বিষয়া-কৰ্মচাৰী—সকলো ইংৰাজী মাধ্যমমুখী, কাৰো মাতৃভাষা মাধ্যমৰ প্ৰতি অকণো দায়বদ্ধতা নাই। গতিকে ৰাইজে (বিশেষকৈ ছাত্ৰ সংগঠন কিছুমানে) আন্দোলন কৰি থাকিলেও মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ অৱস্থা উন্নত হোৱাৰ আশা কম। আমাৰ ভাষাটো ভালকৈ জীয়াই থকাটো যিসকলে অন্তৰেৰে কামনা কৰে সেইসকলে নিশ্চয় বিকল্পৰ সন্ধান কৰিব বা ইতিমধ্যে কৰিছে।

অভিভাৱকসকলৰ বহুতে ভাবে আৰু কয় যে ইংৰাজী মাধ্যমত প্ৰাৰম্ভিক স্তৰৰ পৰাই শিক্ষা লাভ কৰিলে পাছলৈ উচ্চ স্তৰত পঢ়া-শুনাত সহায় হয়। কিন্তু বিজ্ঞান বা সমাজ বিজ্ঞানৰ মূল ধাৰণাসমূহ আৰু কঠিন তাত্ত্বিক কথা-বতৰা নিজৰ ভাষাৰে যিমান সহজে বুজি পোৱা যায়, আন এটা ভাষাৰে সিমান সহজে বুজা নাযায়। সেই কথা উপলব্ধি কৰিয়ে কেইবছৰমান আগতে দেশৰ প্ৰধানমন্ত্ৰীৰ প্ৰত্যক্ষ নিৰ্দেশত কাম আৰম্ভ কৰা নেছনেল ট্ৰেন্সলেছন মিছনৰ অধীনত বিজ্ঞান-প্ৰযুক্তি আৰু সমাজ বিজ্ঞানৰ ভাল ভাল, উচ্চমানৰ কিতাপ বিভিন্ন আঞ্চলিক ভাষালৈ অনুবাদ কৰি প্ৰচাৰ কৰাৰ দিহা কৰা হৈছে। ব্যক্তিগত অভিজ্ঞতাৰ পৰা দেখিছোঁ যে আজিকালি সামগ্ৰিকভাৱে ছাত্ৰ-ছাত্ৰীৰ ভাষা জ্ঞানৰ অৱনতি ঘটিছে। হ'ব লাগিছিল ওলোটাটো, কিয়নো এতিয়া যিকোনো ভাষা ভালদৰে শিকাৰ আৰু শিকি ব্যৱহাৰ কৰাৰ বহুত সুবিধা মুকলি হৈছে। ইংৰাজী মাধ্যমত পঢ়া অলপ মধ্যমীয়া প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীকে মাতৃভাষা আৰু ইংৰাজী—ইয়াৰ কোনোটো ভাষাই বুদ্ধিদীপ্তভাৱে ব্যৱহাৰ কৰা দেখা নাযায়। চোকাসকলে আৰু ঘৰত পঢ়া-শুনাৰ ভাল পৰিবেশ থকাসকলে ইংৰাজীত দক্ষতা আহৰণ কৰিলেও নিজৰ ভাষা বড়ো বা অসমীয়া একেবাৰে নাজানে বুলিবই পাৰি। ভৱিষ্যতে মাতৃভাষা নজনা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত ভাষাই কি ৰূপ ল'বগৈ ভাবিয়ে ভয় লাগে।

তেন্তে কি কৰিব পাৰি? প্ৰথমতে বিদ্যালয় স্তৰৰ পৰাই মাতৃভাষাটো গুৰুত্বসহকাৰে পঢ়াব লাগে। শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে শিকা-জনা কথাখিনি সুন্দৰকৈ শুদ্ধ ভাষাৰে, উপযুক্ত শব্দৰ ব্যৱহাৰেৰে ক'ব পাৰেনে চাব লাগে। পাঠ্যপুথিৰ পাঠ এটা, যেনে— কাহিনী এটা ছাত্ৰ-ছাত্ৰীক কৈ আৰু বুজাই দিয়াত সময় নষ্ট নকৰি, মনে মনে পঢ়ি বুজি উঠাখিনি নিজৰ ভাষাৰে ক'বলৈ দিলে আৰু তাৰ পাছতহে প্ৰয়োজনবোধে বুজাই দিলে কামত আহিব। ইংৰাজীৰ পাঠ্যপুথিৰ পাঠবোৰ মাতৃভাষাত বা অসমীয়াত নিদি ইংৰাজীত কিয় দিছে? নিশ্চয় সেইবোৰ ছাত্ৰ-ছাত্ৰীয়ে নিজে পঢ়িবৰ বাবে দিছে। অৰ্থাৎ লগে লগে বুজক বা নুবুজক, শিক্ষকে কেতিয়াও ইংৰাজী পাঠৰ প্ৰতিটো শাৰীৰ মাতৃভাষাত অনুবাদ কৰি দিয়া উচিত নহয়। বৰঞ্চ ছাত্ৰ-ছাত্ৰীয়ে নিজে পঢ়ি একেবাৰে একো নুবুজিলেহে সময়ে সময়ে তেনে অনুবাদৰ সহায় ল'ব পাৰে। অনুবাদ কৰি পঢ়োৱাৰ ফলত মাধ্যমিক স্তৰলৈ (দ্বাদশ শ্ৰেণীলৈকে) ছাত্ৰ-ছাত্ৰীয়ে ভাল কৰিলেও, পাছৰডোখৰত নিজাকৈ ইংৰাজীত ৰচা পাঠ্যপুথি আৰু প্ৰাসংগিক পুথি পঢ়িব নোৱাৰে, ইংৰাজী কোৱা, পঢ়া আৰু লেখাত দক্ষতা আৰু সাৱলীলতা কমি যায়। আনকি ইংৰাজী মাধ্যমৰ স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো আমি নিজে এনে অৱস্থা লক্ষ্য কৰিছোঁ।

দুটামান গদ্য পাঠ আৰু পাঁচটামান কবিতা পঢ়ি, টিউছনৰ শিক্ষকৰ নোট পঢ়ি, বজাৰৰ পৰা কিনি অনা সহায়িকা পঢ়ি হয়তো পৰীক্ষা পাছ কৰিব পাৰি, ভাষা এটা শিকিব নোৱাৰি। সেইবাবে বাহিৰা কিতাপ-পত্ৰ পঢ়িব পৰাকৈ প্ৰতিখন বিদ্যালয়তে পুথিভঁৰাল আৰু পঢ়া কোঠা থকা উচিত। আমি আগতে বহুবাৰ বহু ঠাইত কৈছোঁ—ভাষা এটা, যেনে— ইংৰাজী, শিকা যায় আৰম্ভণিৰে পৰাই ভাষাটো ব্যৱহাৰ কৰি—শুনি, কৈ, পঢ়ি আৰু লিখি। যদি প্ৰথম শ্ৰেণীত ইংৰাজী পঢ়োৱা হয়, তেন্তে শিক্ষকে নিজে শ্ৰেণীত ইংৰাজী প্ৰথমৰ পৰাই ক'ব লাগিব—ছাত্ৰই বুজিলেও-নুবুজিলেও (ইংৰাজী মাধ্যমৰ স্কুলতনো কি কৰে?), ছাত্ৰক পৰাই-নোৰৱাই কোৱাব লাগিব। ভাষাৰ বিষয়ে একো নজনাজনেহে এনে কথা ক'ব—প্ৰথমতে ইংৰাজী শিকাই লওঁ, তাৰ পাছত ইংৰাজী ক'ব। কথাটো আচলতে এনেকুৱাহে—প্ৰথমৰ পৰাই ইংৰাজী শুনিব, বুজিবৰ চেষ্টা কৰিব, ভুলে-শুদ্ধই, হেনাহুঁচাকৈ হ'লেও প্ৰথমৰ পৰাই ক'বৰো চেষ্টা কৰিব। আমাৰ ধাৰণা স্কুলৰ বহু শিক্ষকে নিজে ইংৰাজী ভালকৈ নজনা বাবেহে ছাত্ৰ-ছাত্ৰীয়ে বুজাকৈ ইংৰাজী ক'ব নোৱাৰে। অথচ সেই শিক্ষকে নিজ সন্তানক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ালে কিন্তু নিজৰ সন্তানে ইংৰাজী ক'ব পাৰে বুলি ভাবে, বিশ্বাস কৰে। সমস্যা মাধ্যম নহয়, সমস্যা শিক্ষকৰ নিজৰ ভাষা জ্ঞানৰ আৰু আনৰ ল'ৰা-ছোৱালীৰ প্ৰতি মৰমৰ অভাৱৰ। এই অৱস্থাৰ সলনি কৰিবলৈ তথাকথিত ছাত্ৰ-যুৱ সংগঠনক আগ বাঢ়ি অহা দেখা নাই।

ইংৰাজী ভাষাটো ভালকৈ শিকাত মাধ্যম অন্তৰায় নহয়। ভাল শিক্ষকৰ উদগনি পালে আৰু পাঠ্যপুথিৰ বাহিৰলৈ গৈ পঢ়া-শুনাৰ অভ্যাস কৰিলে অতি ভালকৈ ইংৰাজী শিকা যায়। সেইবাবে অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীৰ ভাষা জ্ঞান বৃদ্ধিৰ বাবে সৰুৰে পৰাই তেওঁলোকৰ বয়সৰ সৈতে খাপ খোৱা কিতাপ-পত্ৰ পঢ়াত উদগনি দিব লাগে। বহুতৰে ঘৰত পাঠ্যপুথিৰ বাহিৰে আন কোনো কিতাপ থকা দেখাই নাযায়। এনে ঘৰৰ শিশু বা ল'ৰা-ছোৱালীয়ে ভাষা এটা ভালকৈ শিকাৰ বাবে যিখিনি সমল লাগে (পাঠ্যপুথিৰ উপৰি) সেইখিনি নাপায়। সেইবাবে প্ৰতিখন স্কুলতে এটাকৈ পুথিভঁৰাল থকা উচিত আৰু তাত প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অন্ততঃ কিছু সময় পঢ়া উচিত। তেনে কৰিলে বিভিন্ন বিষয়ৰ জ্ঞানৰ লগতে ভাষা জ্ঞান বঢ়োৱাৰ বাবে ন ন শব্দ, বাক্য সজাৰ ৰীতি আদি আয়ত্ত কৰিব পাৰে। মাতৃভাষা মাধ্যমৰ স্কুলত মাতৃভাষাৰ লগতে ইংৰাজী বিষয়টো ভালদৰে পঢ়াবলৈ চেষ্টা কৰিব লাগে। ছাত্ৰ-ছাত্ৰীক এক্টিভিটি বা কাম-কাজত সক্ৰিয়ভাৱে জড়িত কৰাবলৈ ইংৰাজীত কথা ক'বলৈ, নিজে জনা কথা ইংৰাজীৰে ক'বলৈ দিয়াৰ লগতে বিভিন্ন বিষয়ৰ চুটি চুটি ৰচনা

লিখিবলৈ দিব লাগে। ইংৰাজী ব্যাকৰণৰ বহু কথা আচলতে লিখি, কৈ আৰু পঢ়িহে আয়ত্ত কৰা সম্ভৱ। সেই কথা ইংৰাজী পঢ়োৱাসকলে মনত ৰাখিলে ভাল। পাঠ্যপুথিখনৰ সকলো বাক্যৰে অৰ্থ শিক্ষকে নিজে নকৈ ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব লাগে। তেওঁলোকে নোৱাৰিলেহে শিক্ষকে বুজাই দিব লাগে।

আমাৰ সাহিত্য সভাসমূহে পোনতে ভাষাটো কোৱা সকলো মানুহকে সেই ভাষাত সাক্ষৰ কৰি তোলাত জোৰ দিব লাগে। নিজ ভাষাত ৰচিত সাহিত্য পঢ়িবলৈ ৰসগ্ৰাহী পঢুৱৈ থাকিলেহে ভাষাটোত ভাল সাহিত্য সৃষ্টি হ'ব। পঢুৱৈৰ সংখ্যা বঢ়াবলৈকে সৰুৰে পৰা পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। এতিয়া এই কামটোত অধিক জোৰ দিয়াটো বহুত বেছি জৰুৰী হৈ পৰিছে, কিয়নো এতিয়া চুটি প্ৰশ্নৰ উত্তৰ মুখস্থ কৰি পৰীক্ষাত সৰহ নম্বৰ লাভ কৰাতহে জোৰ বেছি দিয়া দেখা যায়, ভাল লগা কিতাপ-পত্ৰ পঢ়াত অকণো গুৰুত্ব স্কুল-কলেজত দিয়া নহয়। পৰীক্ষা সৰ্বস্ব আৰু নম্বৰকেন্দ্ৰিক শিক্ষা-ব্যৱস্থাত স্বাভাৱিকতে ভাল পঢুৱৈৰ সংখ্যা কমিবলৈ বাধ্য। সাহিত্য সভাসমূহে কাক লৈ, কাৰ বাবে সাহিত্য কৰিব? এতিয়াৰ পৰিস্থিতিত নিজা ভাষাৰ লগতে আন ভাষা জনাটো নিশ্চয় কামত আহিব পাৰে। ইউৰোপত এতিয়া নিজৰ ভাষাৰ লগতে আন দুটা (ইংৰাজীকে ধৰি বিদেশী ভাষা) ভাষা জনাটো আৰু শিকোৱাটো জৰুৰী বুলি ভবা হৈছে। বিশ্বায়নে একভাষিকতাৰ (এটা মাত্ৰ ভাষা কোৱা অৱস্থা) অন্ত পেলাব বুলি ভবা হৈছে। দৰাচলতে আমাৰ ইয়াতো আজিৰ প্ৰজন্মৰ ল'ৰা-ছোৱালী একভাষিক হৈ থকা নাই, থাকিবও নোৱাৰে। বহুভাষিকতাই (একেলগে কেইবাটাও ভাষা ব্যৱহাৰ কৰা অৱস্থা বা সক্ষমতা) ভাষা জীয়াই ৰখাত সহায় কৰে। সেইবাবে নিজৰ প্ৰয়োজনত ইংৰাজীৰ দৰে ভাষা এটা ভালকৈ আয়ত্ত কৰাটো ভাল কথা। কিন্তু নিজৰ ভাষাত সাক্ষৰতা অৰ্জন কৰাটো তাতোকৈ প্ৰয়োজনীয়--নিজৰ স্বাৰ্থত নহ'লেও নিজ ভাষা-সাহিত্যৰ, নিজৰ জনগোষ্ঠীৰ ভৱিষ্যতৰ স্বাৰ্থত।

ইংৰাজী শিকাওঁতাজনৰ মাতৃভাষাৰ ভাল জ্ঞান আৰু দক্ষতা থাকিলে আৰু ভাল। ভাষা শিক্ষণৰ সাধাৰণ নীতিসমূহ সকলোতে একে। মাতৃভাষাত আহৰণ কৰা জ্ঞান আৰু কৌশল অতি সহজে আন ভাষা শিকাত ব্যৱহাৰ কৰিব পাৰি। আমি জনামতে আৰু শেহতীয়াকৈ ইংৰাজী ভাষা শিক্ষাৰ বিশেষজ্ঞসকলে কোৱামতে ইংৰাজীত উন্নত পৰ্য্যায়ৰ সাৱলীলতা অৰ্জনৰ বাবে পাঁচৰ পৰা সাত বছৰ লাগে--যদিহে শিকোঁতাসকলৰ মাতৃভাষাত অতি ভাল দক্ষতা থাকে। নথকাসকলে সাতৰ পৰা দহ বছৰৰ ভিতৰত সেই সাৱলীলতা আয়ত্ত কৰিব পাৰে। মাতৃভাষা বা প্ৰথম ভাষাৰ (ফাৰ্ষ্ট লেংগুৱেজ) পাছত শিকা যিকোনো ভাষাকে দ্বিতীয় ভাষা (ছেকেণ্ড লেংগুৱেজ) বোলা হয়। সেই দ্বিতীয় ভাষাটোত এটা গ্ৰহণযোগ্য মানৰ দক্ষতা বা কম্পিটেন্স আহৰণ কৰিবৰ বাবে ইংৰাজী ভাষা শিক্ষাৰ বিশেষজ্ঞসকলৰ মতে এটা enabling learning environment অৰ্থাৎ শিকাৰ বাবে সমৰ্থ কৰি তুলিব পৰা পৰিবেশ লাগে। সেই পৰিবেশৰ ভিতৰত আছে মাতৃভাষাত দৃঢ় ভিত্তি (solid foundation) স্থাপন কৰা। চমু কথাত, আনকি ইংৰাজীৰ নিচিনা দ্বিতীয় ভাষা এটাত বৰ ভাল মানৰ দক্ষতা আহৰণৰ বাবেও মাতৃভাষাৰ ভাল জ্ঞান জৰুৰী। কিয়নো ভাষাৰ মৌলিক নীতিসমূহ একে আৰু এটা ভাষাত আহৰণ কৰা দক্ষতা বা স্কিল আন এটা ভাষা আহৰণৰ ক্ষেত্ৰতো সহজে আৰু স্বয়ংক্ৰিয়ভাৱে ব্যৱহাৰ কৰা যায়। ❐

"Learning in the mother tongue would facilitate better understanding and comprehension for students at the primary level"

কোঠাৰী আয়োগ
(Kothari Commission)
১৯৬৪-৬৬ চন

“স্কুলীয়া শিক্ষাৰ সমগ্ৰ স্তৰতে মাতৃভাষা মাধ্যমক স্থান দিয়া উচিত।”
(The mother-tongue ought to be given a place as the medium of instruction throughout the high school classes.)

সাড়লাৰ আয়োগ, ১৯১৭ চন
(Sadler Commission)

“বিদেশী ভাষা এটাক জ্ঞান আহৰণৰ মাধ্যম হিচাপে লোৱা কথাটো শিক্ষা বিজ্ঞানৰ দৃষ্টিভংগীৰেই অযুক্তিকৰ।”
(It is educationally unsound to make a foreign tongue the means of aquiring knowledge.)

ৰাধাকৃষ্ণণ আয়োগ, ১৯৪৮ চন



“মাতৃভাষা শিকা মানে কেৱল লিখা, পঢ়া বা শব্দৰ ভাণ্ডাৰ বৃদ্ধিৰ কথাটোকে নুবুজায়। ই হৈছে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক ব্যক্তিত্বৰ বিকাশ সাধন কৰাৰ উৎকৃষ্ট আৰু মননশীল মাধ্যম।”

মুদালিয়াৰ আয়োগ,
১৯৫৩ চন
(Mudaliar Commission)

ইউনিচেফৰ (UNICEF) বক্তব্য : মাতৃভাষাত শিক্ষা প্ৰত্যেক শিশুৰ সম্ভাৱনাপূৰ্ণ জীৱনৰ চাবিকাঠী

গৌৰী সুন্দৰৰাজন

আপুনি কল্পনা কৰকচোন, এনে এখন পৃথিৱীৰ কথা য'ত আপুনি শিকা প্ৰথম শব্দবোৰ মাত্ৰ শব্দ নহয়, সেয়া হ'ল বুজাবুজি, আত্মবিশ্বাস গঢ়ি তোলা আৰু শিক্ষাৰ প্ৰতি সীমাহীন ভালপোৱাৰ চাবিকাঠী। ইয়ে হ'ল মাতৃভাষাত শিক্ষণৰ মহিমা, যাক বহু সময়ত অৱমূল্যায়ন কৰা হয়। কিন্তু এয়া সঁচানে? আমি গভীৰভাৱে বিশ্লেষণ কৰিলে বুজিবলৈ সক্ষম হ'ম যে এটা শিশুক মাতৃভাষাৰ শিক্ষাৰে পুষ্ট কৰাটো অতুলনীয় সম্ভাৱনাৰে ভৰি থকা এটা কথা আৰু ই শিশুটিক সাংস্কৃতিক গৰিমা, মানসিক বিকাশ আৰু সম্ভাৱনাৰে ভৰা এটি ভৱিষ্যতৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰে।

বহু ক্ষেত্ৰত শিশুসকল, বিশেষকৈ জনজাতীয় অঞ্চলৰ শিশুসকলৰ বাবে পাঠশালাৰ পৰিৱেশ আৰু পাঠদানৰ ভাষাটো আচহুৱা যেন হয়, যাৰ ফলত জ্ঞান আৰু শিশুৰ মাজত এক অদৃশ্য প্ৰাচীৰে থিয় দিয়ে। গৱেষণাৰ ফলত দেখা গৈছে যে, এনে ধৰণৰ অভিজ্ঞতাই শিশুৰ মনত গভীৰ চাপ পেলাই আহিছে। তেওঁলোকৰ আত্মবিশ্বাস হেৰুওৱাৰ লগতে স্বাভাৱিক কৌতূহল ম্লান হৈ পৰে। এনেবোৰ পৰিস্থিতিত মাতৃভাষাৰ শিক্ষাই আশাৰ কিৰণ হৈ পৰে। যেতিয়া এটি শিশুৱে নিজৰ পৰিচিত ভাষাত শিক্ষা লয়, তেতিয়া তেওঁৰ আগত পৃথিৱীখন অতি সহজতেই মুকলি হৈ পৰে। ভিন্ন ধাৰণাবোৰ অপৰিচিতৰ চিন্তাৰ পৰা পৰিচিত অভিজ্ঞতালৈ পৰিণত হয় আৰু বোধশক্তিৰ উজ্জ্বল চেতনাৰ বলত "মই এইটো কৰিব পাৰোঁ" বুলি বিশ্বাস বঢ়াই তোলে।

বিশ্বজুৰি আধিপত্য থকা একমাত্ৰ এটা ভাষাৰ (যেনে ইংৰাজী) মাধ্যমত অধ্যয়ন কৰিলেহে সফলতা অহাটো সম্ভৱ— এনে ধৰণৰ এক বিশ্বাসেই আন এক ধাৰণাৰ জন্ম দিছে যে মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰিলে উচ্চাকাংক্ষা গঢ়াত বাধাৰ সৃষ্টি হয়। এই দৃষ্টিভংগীয়ে বহুভাষিকতাৰ বৈচিত্ৰ্য আৰু সৌন্দৰ্য্যৰ লগতে এটা শিশুৰ বৌদ্ধিক আৰু মানসিক বিকাশত মাতৃভাষাৰ প্ৰয়োজনীয়তাক উপেক্ষা কৰে।

বোধশক্তিৰ সাঁকো

যেতিয়া শিশুৱে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰে, তেওঁলোকে সহজে আৰু আত্মবিশ্বাসৰ সৈতে জ্ঞান আহৰণৰ পথত আগ বাঢ়ে। তেওঁলোকৰ বাবে বিষয়বোৰ অধিক স্পষ্ট হয়, চিন্তাবোৰ দৃঢ় হয় আৰু আৱিষ্কাৰৰ সন্ধানে উৎসাহ বৃদ্ধি কৰে। উদাহৰণস্বৰূপে, কোনো এটি জনগোষ্ঠীৰ শিশুৱে তেওঁৰ মাতৃভাষাত গণিত শিকা কাৰ্য্যই এক আত্মীয়তাৰ ভাব জাগ্ৰত কৰাৰ লগতে সক্ৰিয় অংশগ্ৰহণৰ মনোভাব গঢ়ি তোলাতো সহায় কৰিব।

দৃঢ় ভেটি নিৰ্মাণ

গৱেষণাই প্ৰমাণ কৰি দেখুৱায় যে, যিসকল শিশুৱে মাতৃভাষাত শিক্ষা লাভ কৰে, তেওঁলোকৰ বৌদ্ধিক দক্ষতা বৃদ্ধি হয়, বিশেষকৈ সমালোচনাত্মক চিন্তা, সমস্যা সমাধান আৰু সৃষ্টিশীলতাৰ ক্ষেত্ৰত তেওঁলোক অধিক শক্তিশালী হয়। মাতৃভাষাৰ জৰিয়তে দৃঢ় ভেটি স্থাপন কৰা এনে চিন্তাধাৰাই পৰৱৰ্তী সময়ত শিশুটিৰ ভৱিষ্যৎ সফলতাৰ পথ প্ৰশস্ত কৰাত সহায় কৰে, যাৰ জৰিয়তে কেৱল জটিল বিষয়তেই নহয় বৰঞ্চ আন ভাষাতো শিশুটিয়ে সমানেই দক্ষতা লাভ কৰে।

আত্মবিশ্বাস আৰু স্বাভিমান

শিক্ষাগত দিশৰ লাভৰ উপৰি, মাতৃভাষাৰ জৰিয়তে শিশুৰ মনত স্বাভিমান আৰু সাংস্কৃতিক পৰিচয় গঢ় লয়। শিশুৱে যেতিয়া মাতৃভাষাত আত্মবিশ্বাসেৰে নিজকে প্ৰকাশ কৰে, তেতিয়া তেওঁৰ নিজ স্বাভিমান আৰু ঐতিহ্য পৰম্পৰাৰ সৈতে গভীৰ সংযোগ প্ৰতিফলিত হয়। এই আভ্যন্তৰীণ কাৰকে তেওঁলোকক শিক্ষাৰ প্ৰতি প্ৰেৰণা দিয়াৰ লগতে শিক্ষাৰ ক্ষেত্ৰখনত আগ বাঢ়ি যাবলৈ উৎসাহ যোগায়।

বৈচিত্ৰ্যক আদৰণি

ভাৰতৰ ভাষিক প্ৰেক্ষাপট ২২টাকৈ চৰকাৰীভাৱে স্বীকৃত ভাষা আৰু অগণন উপভাষাৰে অত্যন্ত বৈচিত্ৰ্যপূৰ্ণ। মাতৃভাষাৰ

শিক্ষাৰ জৰিয়তে এই বৈচিত্ৰ্যক আদৰি লোৱাই প্ৰতিটো ভাষাৰ সাংস্কৃতিক ঐতিহ্য উদ্‌যাপন কৰাৰ লগতে প্ৰতিটো শিশুৰ বিশেষ পৰিচয়ক মূল্য দি এক নিৰপেক্ষ আৰু সমন্বিত ব্যৱস্থাৰ গঢ় দিব পৰা যায়।

প্ৰত্যাহ্বান আৰু সম্ভাৱনা

মাতৃভাষাত শিক্ষা প্ৰদান সঠিকভাৱে কাৰ্য্যকৰী কৰিবলৈ যুটীয়া প্ৰচেষ্টাৰ আৱশ্যক। ভাৰতত অসংখ্য ভাষা হোৱাৰ বাবে সঠিক পৰিকল্পনা, সম্পদৰ বিতৰণ আৰু শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজন। উল্লেখযোগ্য যে, কোনো এটা প্ৰভাৱশালী ভাষাত (যেনে ইংৰাজী) দক্ষতা থাকিলেই জীৱনত সফল হ'ব পাৰি—এই ধৰণৰ চিন্তাধাৰা শিক্ষাখণ্ডৰ লগতে সমাজৰ পৰা দূৰ কৰাটো অতিকৈ প্ৰয়োজনীয় কথা।

তথাপি, এই প্ৰত্যাহ্বানসমূহ সমাধান কৰাটো অসম্ভৱ নহয়। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু ইউনিচেফৰ বহুভাষিক শিক্ষা কাৰ্য্যসূচীৰ দৰে পদক্ষেপে এই পথ প্ৰশস্ত কৰিছে। ইতিমধ্যেই সফলতাৰ বহু উদাহৰণ আমি দেখিছোঁ। যেনে, ছত্তিশগড়ৰ শিশুসকলে হালবি ভাষাত শিক্ষা গ্ৰহণ কৰি আত্মবিশ্বাসেৰে উজলি উঠিছে। ঝাৰখণ্ডত পাঁচটা জনজাতীয় ভাষাৰ জৰিয়তে গল্প আৰু গীতৰ এনাজৰীৰে হৃদয় আৰু মনৰ সেতু গঢ়া হৈছে। ৰাজস্থানে বহুভাষিক মানচিত্ৰ তৈয়াৰ কৰি বহুভাষিক শিক্ষাৰ পথ উন্মুক্ত কৰিছে। এনে ধৰণৰ উদাহৰণে মাতৃভাষাৰ শিক্ষাৰ শক্তিশালী ক্ষমতা প্ৰতিপন্ন কৰে। সমাজ, কৰ্তৃপক্ষ আৰু প্ৰযুক্তিৰ সংযোগত আমি এই দুৱাৰ মুকলি কৰি লাখ লাখ শিশুৰ জীৱনলৈ পৰিবৰ্তন আনিবলৈ সক্ষম হ'ব পাৰোঁ।

বহুভাষিকতা

কল্পনা কৰকচোন এনে এটা ভৱিষ্যৎ য'ত প্ৰতিটো শিশুৱে, তেওঁলোকৰ পৰিবেশ নিৰ্বিশেষে নিজৰ মাতৃভাষাত গুণগত শিক্ষা লাভ কৰিব পাৰিব। এনে এক ভৱিষ্যৎ, য'ত পাঠশালাবোৰত ভাৰতৰ বিভিন্ন ভাষাৰ সুৰ বাজি উঠিব, য'ত শিকাৰ প্ৰতি ভালপোৱা আৰু সাংস্কৃতিক সমৃদ্ধিৰ উৎসৰ অনুষ্ঠিত হয়। যেতিয়া আমি মাতৃভাষাৰ শিক্ষাক সীমাবদ্ধতা হিচাপে নহয় বৰঞ্চ শক্তিশালী মাধ্যম হিচাপে লৈ শিশুক ক্ষমতাবান, সামৰ্থ্যবান কৰিবলৈ আগ বাঢ়িম তেতিয়াই এনে এক উজ্জ্বল ভৱিষ্যৎ গঢ়ি তুলিবলৈ সক্ষম হ'ম। ❐

(মূল ইংৰাজীৰ পৰা অনুবাদ কৰা হৈছে)

---

unicef

"Children who receive education in their mother tongue develop stronger cognitive skills, particularly in critical thinking, problem-solving, and creativity."

UNICEF

UNESCO

"Education in the mother tongue is a key factor for inclusion and quality learning, and it also improves learning outcomes and academic performance."

UNESCO
April, 2023

দেশে-বিদেশে আমাৰ শিক্ষাৰ্থী

বিদ্যালয় পৰ্য্যায়ত মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণ কৰাৰ উপযোগিতা, প্ৰয়োজনীয়তা আৰু সুফল নতুনকৈ প্ৰমাণ কৰিবলগীয়া নাই। এটা সময়ত আমাৰ ৰাজ্যখনত যেতিয়া ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহে প্ৰসাৰ লাভ কৰা নাছিল, প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়েই মাতৃভাষাত স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল আৰু বিশ্বৰ আগশাৰীৰ শিক্ষানুষ্ঠানত এনে শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰাকে ধৰি অধ্যয়ন, গৱেষণা, সাহিত্য-বিজ্ঞান-কলা-সংস্কৃতি সকলো ক্ষেত্ৰতে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। শেহতীয়াকৈ যোৱা দুই-তিনিটা দশকত একাংশ অভিভাৱকৰ ইংৰাজী মাধ্যমৰ প্ৰতি থকা দুৰ্বলতাৰ সুযোগ লৈ আমাৰ ৰাজ্যখনতো ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহে কিছু প্ৰসাৰ লাভ কৰিছে। কিন্তু আশাপ্ৰদ কথা এইটোৱে যে বিগত তিনিটা দশকত জাতীয় বিদ্যালয় আৰু শংকৰদেৱ শিশু নিকেতনৰ দৰে বেচৰকাৰী মাতৃভাষা মাধ্যমৰ হেজাৰ হেজাৰ বিদ্যালয়ো গঢ়ি উঠিছে আৰু জনপ্ৰিয়তা লাভ কৰিছে। এনে বিদ্যালয়সমূহে প্ৰতিবছৰে উৎকৃষ্ট ফলাফলো প্ৰদৰ্শন কৰি আহিছে।

ইংৰাজী মাধ্যমত শিক্ষাগ্ৰহণ কৰিলেহে সফলতা লাভ কৰিব পাৰি বুলি একাংশ অভিভাৱকৰ এক ভ্ৰান্ত ধাৰণা আছে। এনে ধাৰণা ভুল বুলি প্ৰমাণিত কৰি বিদ্যালয় পৰ্য্যায়ত মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা অসমৰ বহু ছাত্ৰ-ছাত্ৰী সম্প্ৰতি দেশ-বিদেশৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানত অধ্যয়ন তথা গৱেষণাত ব্ৰতী হৈ আছে। বিশ্বৰ আগশাৰীৰ বহুতো প্ৰতিষ্ঠানত তেওঁলোক কৰ্মৰতও হৈ আছে। এনে ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত দেশে-বিদেশে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হৈছে। শিক্ষা; নাটক, চিনেমা; সুকুমাৰ কলা; মেডিকেল, ইঞ্জিনীয়াৰিং; মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত অধ্যাপনা-গৱেষণা; আইন; চৰকাৰী-বেচৰকাৰী, বহুজাতিক প্ৰতিষ্ঠানৰ চাকৰি আদি সকলো ক্ষেত্ৰতে এনে সফলতা আৰু উৎকৃষ্টতাৰ চানেকি প্ৰতিফলিত হৈছে।

যোৱা কেইটামান বছৰত স্কুলীয়া স্তৰত মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণ কৰি পৰৱৰ্তী পৰ্য্যায়ত দেশ-বিদেশৰ যিসমূহ অতি খ্যাতিসম্পন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানত আমাৰ শিক্ষাৰ্থীসকলে অধ্যয়ন তথা গৱেষণা কৰি আছে/ সম্পূৰ্ণ কৰিছে তেনে একাংশ উচ্চশিক্ষা প্ৰতিষ্ঠানৰ নাম তলৰ তালিকাত উল্লেখ কৰা হ'ল। এই তালিকাখন এখন সম্পূৰ্ণ তালিকা নহয়।

দেশ-বিদেশৰ এনে শিক্ষা প্ৰতিষ্ঠানসমূহ :

Global Presence (বিশ্বজোৰা শিক্ষা প্ৰতিষ্ঠানসমূহ) :

- Imperial College London, UK
- Yale University, USA
- University of California Berkeley, USA
- National University of Singapore, Singapore
- Singapore Management University, Singapore
- Max Plank Institute for the Science of Light, Germany
- Max Plank Institute for Extraterrestrial Physics, Germany
- University of Virginia, USA
- University of California Irvine, USA
- University of California, Santa Barbara, USA
- University of British Columbia, Canada
- Virginia Polytechnic Institute and State University (Virginia Tech), USA
- Erasmus Mundus Masters Program in several European universities
- Saint Louis University, USA
- The University of Twente, Netherlands
- Advance Research Centre, Netherlands

Yale University, USA

Imperial College, London

- Cardiff University, UK
- Korea Astronomy and Space Science Institute, South Korea
- Aix-Marseille University, France
- University of Southampton, UK
- Politecnico di Milano, Italy
- Ohio State University, USA
- Denmark Technical University, Denmark
- London University, Canada
- Brown University, USA
- University of California, Los Angeles
- Nottingham Trent University, UK
- …and many more

National Presence (ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শিক্ষা প্ৰতিষ্ঠানসমূহ) :

- Indian Institute of Science (IISc), Bengaluru
- Jawaharlal Nehru University, New Delhi
- All India Institute of Medical Sciences (AIIMS) Delhi
- Indian Institute of Technology –
  IIT Guwahati, IIT Roorkee
  IIT Bombay, IIT Varanasi
- Indian Institute of Management–
  IIM Ahmedabad, IIM Indore
- University of Delhi, New Delhi
- National Institute of Technology (NIT), across the country
- Indian Institute of Science Education & Research (IISER), Pune
- National Institute of Science Education and Research (NISER), Bhubaneswar
- Film and Television Institute of India (FTII), Pune
- Kala Bhavana, Visva Bharati, Shantiniketan
- Tata Institute of Social Sciences (TISS)
- National Museum Institute, New Delhi
- Birla Institute of Technology, Ranchi
- Chennai Mathematical Institute, Chennai
- Kerala School of Mathematics, Kozhikode
- Indian Maritime University, Kolkata
- Central and State Universities across the country
- Government Medical Colleges across Assam
- Government Engineering Colleges across Assam
- ...and many more

University of Virginia, USA

Max Plank Institute for the Science of Light, Germany

University of California Berkeley, USA

National University of Singapore

Cardiff University, UK

Aix Marseille University, France

London University, Canada

University of California, Los Angeles

University of Twente, Netherlands

Ohio State University, USA



Indian Institute of Science, Bangalore

All India Institute of Medical Sciences, Delhi

Jawaharlal Nehru University, New Delhi

Indian Institute of Technology (IIT), Bombay

Indian Institute of Management (IIM), Ahmedabad

Film & Television Institute of India, Pune

Visva Bharati University, Santiniketan

Tata Institute of Social Sciences (TISS), Guwahati

Indian Institutes of Science Education and Research (IISER), Pune

Chennai Mathematical Institute, Chennai

প্ৰণামো মাতৃভাষা

(মাতৃভাষাৰ চৰ্চা, উত্তৰণ আৰু ঐতিহ্য ৰক্ষাৰ সংকল্পৰে সমৰ্পিত এক প্ৰয়াস)

নুনমাটি, গুৱাহাটী- ৭৮১০২০

মাতৃভাষাৰ চৰ্চা, উত্তৰণ আৰু ঐতিহ্য ৰক্ষাৰ সংকল্পৰে 'প্ৰণামো মাতৃভাষা' নামেৰে এক নতুন প্ৰয়াসৰ আৰম্ভণি কৰা হৈছে। অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন আৰু জাতীয় বিদ্যালয়সমূহৰ শিক্ষা-ব্যৱস্থাৰ লগত জড়িত ব্যক্তি আৰু এই প্ৰয়াসৰ প্ৰতি আগ্ৰহী ব্যক্তিৰ অন্তৰ্ভুক্তিৰে 'প্ৰণামো মাতৃভাষা' গোটটো গঠন কৰা হৈছে। যোৱা ২২ জুন, ২০২৫ তাৰিখে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত সংবাদ মেল যোগে 'প্ৰণামো মাতৃভাষা'ৰ আনুষ্ঠানিক আৰম্ভণি ঘোষণা কৰা হয়।

প্ৰাৰম্ভিক লক্ষ্য আৰু উদ্দেশ্যসমূহ :

- মাতৃভাষা মাধ্যমৰ প্ৰতি সজাগতা বৃদ্ধি,
- আত্মবিশ্বাস আৰু গৌৰৱ সহকাৰে মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণৰ বাবে সতি-সন্ততিক আগবঢ়াই দিবলৈ অনুপ্ৰাণিত কৰা,
- আলোচনী-বাতৰিকাকতকে ধৰি ভাষা-সাহিত্যৰ নিয়মীয়া চৰ্চা আৰু অধ্যয়নেৰে ভাষাটোৰ সমৃদ্ধিৰ বাবে ইতিবাচক পৰিৱেশ ৰচনা কৰা,
- ইংৰাজী মাধ্যমত পঢ়া শিক্ষাৰ্থীসকলকো ভাষা হিচাপে নিজৰ মাতৃভাষাটো আগ্ৰহেৰে অধ্যয়ন কৰিবলৈ উৎসাহিত কৰা,
- জনগোষ্ঠীয় ভাষাসমূহৰ লগত পৰিচিত কৰোৱা ইত্যাদি।

সুৰদি সুৰীয়া মোৰ ভাষা বিনন্দীয়া :

প্ৰকাশ : জুলাই, ২০২৫

সংকলক, সম্পাদক : ডা° নাৰায়ণ শৰ্মা, ড° সত্যকাম বৰঠাকুৰ

প্ৰেছ সম্পাদনা : ৰবীন্দ্ৰ বৰ্মন

প্ৰকাশক : প্ৰণামো মাতৃভাষা
নুনমাটি, গুৱাহাটী-৭৮১০২০

মুদ্ৰণ : অসম জাতীয় বিদ্যালয় ন্যাস ছপাশাল
নুনমাটি, গুৱাহাটী-৭৮১০২০

website : www.matribhashaassam.com
email : pranamomatribhasha@gmail.com
: Pranamo Matribhasha
YouTube : pranamomatribhasha
: pranamomatribhasha

এই পুস্তিকাখনি অনুগ্ৰহ কৰি নিজে পঢ়ক, আনকো পঢ়ুৱাওক।
পুস্তিকাখনি www.matribhashaassam.com ৱেবছাইটত উপলব্ধ।